www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, NOVEMBER 03, 2024 ■ দেওবাৰ, ১৭ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩০০ Guwahati, Assam ।। মূল্যঃ এটকা

## হিন্দুক জগাবলৈ গুৱাহাটীত বাগেশ্বৰ

**ই-সংবাদ, ২ নৱেম্বৰঃ** শক্তিপীঠ মা কামাখ্যা দৰ্শন কৰিবলৈ গুৱাহাটীত আজি হঠাতে ৩ পৃষ্ঠাত চাওক

## স্পেইনত বানত ২০০ লোকৰ মৃত্যু

**মাদ্ৰিদ, ২ নৱেম্বৰঃ** বান বিভীষিকাই কালৰূপ ধৰিছে স্পেইনত। প্ৰবল বৃষ্টিপাতৰ পিছত বানত বুৰ যোৱা ইউৰোপৰ এই শেষাংশ ৩ পৃষ্ঠাত

## যোৰহাটত নিশা অগ্নিকাণ্ডত জীৱন্তে অগ্নিদগ্ধ এজন

**ই-সংবাদ, যোৰহাট, ২ নৱেম্বৰঃ** দীপাৱলীৰ আনন্দ-উছাহৰ মাজতে যোৰহাট নগৰৰ মাজমজিয়াৰ ভোগদৈ দলঙৰ শেষাংশ ৪ পৃষ্ঠাত

## গুৱাহাটী বিমান বন্দৰত বোমাতংক

**ই-সংবাদ, ২ নৱেম্বৰঃ** গুৱাহাটী বিমান বন্দৰত পুনৰ আজি হাহাকাৰ লাগে। বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ শেষাংশ ৫ পৃষ্ঠাত

## জিএমচিত কুলদা ভট্টাচাৰ্যৰ মৰণোত্তৰ দেহদান সম্পন্ন

**ই-সংবাদ, ২ নৱেম্বৰঃ** মৃত্যু মানেই জীৱনৰ শেষ কথা নহয়। ভালকৈ জীয়াব জানিলে মৃত্যুৰ পিছতো জীৱনে কৈ যায় শেষাংশ ৭ পৃষ্ঠাত



জিএমচিত কুলদা ভট্টাচাৰ্যৰ মৰণোত্তৰ দেহদান সম্পন্ন, শনিবাৰে

### অখিল গগৈক নীতি পাঠ ভূপেন বৰাৰ

# ‘যোদ্ধা হ’ল বুলিয়েই যুদ্ধৰ সময়ত ভুলকৈ অস্ত্ৰ প্ৰয়োগ কৰা অনুচিত’



**ই-সংবাদ, ২ নৱেম্বৰঃ** বিহালী সমষ্টিৰ প্ৰাৰ্থিত্বক কেন্দ্ৰ কৰি শেহতীয়াকৈ ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে কৰি অহা উদ্ভট মন্তব্যৰ আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই। অসম সন্মিলিত মৰ্চাৰ সভাপতি পদৰ পৰা স্বেচ্ছাই অব্যাহত লোৱাৰ পিছত ভূপেন কুমাৰ শেষাংশ ৪ পৃষ্ঠাত




## অখিলৰ আকৌ কংগ্ৰেছক আক্ৰমণ

**ই-সংবাদ, ২ নৱেম্বৰঃ** সাঁচকৈয়ে বিজেপি লাভৱান হ’ব পৰাকৈ নামনি অসমত তৎপৰতা বৃদ্ধি কৰিছে নেকি অখিল গগৈয়ে? অখিল গগৈয়ে সংখ্যালঘু ভোট বিভাজনৰ খেল খেলা বুলি উত্থাপিত শেষাংশ ৫ পৃষ্ঠাত

### ঘনে ঘনে সলনি দৃশ্যপট, সমানে সমানে চলিছে ট্ৰাম্প-কমলাৰ যুঁজ

# ৫ নৱেম্বৰক লৈ বিশ্বজুৰি বৃদ্ধি উৎকণ্ঠা!

**নিউয়ৰ্ক, ২ নৱেম্বৰঃ মাজত মাথো তিনিটা দিন। ইয়াৰ পিছতে মহাশক্তিধৰ আমেৰিকাই লাভ কৰিব নতুন ৰাষ্ট্ৰপতি।** শেষাংশ ৪ পৃষ্ঠাত





## কানাডাৰে তুংগত সংঘাত

**ই-সংবাদ, ২ নৱেম্বৰঃ** ভাৰতৰ বিৰুদ্ধে ইটোৰ পিছত সিটো অভিযোগেৰে ঘেৰাৱ চেষ্টা অব্যাহত ৰাখিছে কানাডাই। শেহতীয়াকৈ দেশখনৰ আক্ৰমণৰ লক্ষ্য হৈ পৰিছে ভাৰতৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহও। কিন্তু ইমানতেই ক্ষান্ত নথকা কানাডাই এইবাৰ বাতিল কৰিলে দেশখনত দীপাৱলীৰ উদযাপন। সমান্তৰালভাৱে দেশখনৰ নেতৃত্বই ভাৰতীয় দূতাবাসৰ বিষয়াসকলকো শেষাংশ ২ পৃষ্ঠাত

## মাংকি পক্স অসমলৈ অহা বাতৰি মিছা!

**ই-সংবাদ, ২ নৱেম্বৰঃ** মাংকি পক্সৰ ৰোগী ধৰা বুলি প্ৰচাৰিত খবৰক ভুল বুলি দাবী কৰিছে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই। আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক শেষাংশ ২ পৃষ্ঠাত

## কাশ্মীৰত ২ উগ্ৰপন্থী নিহত

**শ্ৰীনগৰ, ২ নৱেম্বৰঃ** পুনৰ উত্তেজনাই বিৰাজ কৰিছে জম্মু-কাশ্মীৰত। শনিবাৰে পুৱা জম্মু-কাশ্মীৰৰ অনন্তনাগৰ হোলকন গলি এলেকাত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ভাৰতীয় সেনাই চলোৱা অভিযানৰ সময়ত পুনৰ নিহত হয় শেষাংশ ২ পৃষ্ঠাত

### জনসংখ্যাৰ গাঁথনিৰ কথা কৈ বিপদত অসমৰ মুখ্যমন্ত্ৰী

# হিমন্ত-হেমন্তৰ যুদ্ধই পালে নতুন মাত্ৰা

**ই-সংবাদ, ৩ নৱেম্বৰঃ** ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণ আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মাজত বাকযুদ্ধ অব্যাহত আছে। বাংলাদেশী অনুপ্ৰৱেশৰ বিষয়টোকে লৈ হিমন্ত বিশ্ব শৰ্মাই শাসকীয় কংগ্ৰেছ আৰু জেএমএমক লক্ষ্য কৰি ভোট আদায়ৰ প্ৰয়াস কৰি গৈছে। ঝাৰখণ্ড বিজেপিৰ সহ-তত্বাৱধায়ক হিমন্ত বিশ্ব শৰ্মাই ধৰ্ম বিশেষক টাৰ্গেট কৰি ৰাজনীতি কৰি থকাৰ সময়তে জনগাঁথনিক লৈ শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাশ্মীৰত ২ উগ্ৰপন্থী নিহত

দুজনকৈ সন্দেহযুক্ত পাকিস্তানী সন্ত্ৰাসবাদী। ইফালে শনিবাৰে পুৱা শ্ৰীনগৰৰ খানিয়াৰ অঞ্চলতো সন্ত্ৰাসবাদীৰ সন্ধানত যৌথভাৱে অভিযান চলায় সেনা আৰু আৰক্ষীয়ে। উল্লেখ্য যে, সদ্য সমাপ্ত জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ পিছতে উপত্যকাটোত ক্ৰমাৎ বৃদ্ধি পাইছে সন্ত্ৰাসবাদীৰ কাৰ্যকলাপৰ ঘটনা। এই সময়ছোৱাত সেনাৰ বাহনৰ ওপৰত আক্ৰমণ সংঘটিত কৰিছে সন্ত্ৰাসবাদীয়ে। শুকুৰবাৰে কাশ্মীৰৰ বদগাঁমত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত হয় দুজন প্ৰৱাসী শ্ৰমিক। এই ঘটনাৰ পিছতে সমগ্ৰ অঞ্চলটো ঘেৰি সন্ত্ৰাসবাদীৰ সন্ধানত অভিযান আৰম্ভ কৰে ভাৰতীয় সেনাই। সেনা সূত্ৰৰ পৰা জানিব পৰা মতে, গোপন খবৰৰ ভিত্তিত সন্ত্ৰাসবাদীৰ এটা দলে খানিয়াৰত অশ্ৰয় লৈ থকাৰ খবৰ লাভ কৰাৰ পিছতে সেনাই অভিযান তীব্ৰতৰ কৰি তোলে। মন কৰিবলগীয়া যে, ইয়াৰ পূৰ্বে কাশ্মীৰৰ আখনূৰত যোৱা সোমবাৰে পুৱা প্ৰায় ৭ বজাত সেনাৰ এখন বাহন আৰু এখন এম্বুলেন্সত গুলীবৰ্ষণ কৰিছিল সন্ত্ৰাসবাদীয়ে। পৰৱৰ্তী সময়ত আক্ৰমণস্থলীৰ সমীপৰ এখন অৰণ্যত আশ্ৰয় লোৱা সন্ত্ৰাসবাদী দলটোৰ বিৰুদ্ধে ভাৰতীয় সেনাই চলোৱা অভিযানৰ সময়ত সোমবাৰে এজন সন্ত্ৰাসবাদী নিহত হয়। ইয়াৰ পিছত মঙলবাৰে পুৱাও সেনাৰে সংঘৰ্ষত মৃত্যু ঘটে আন দুজন সন্ত্ৰাসবাদীৰ। নিৰাপত্তা বাহিনীৰ চৰকাৰী সূত্ৰৰ উদ্ধৃতি দি বুধবাৰে সংবাদ সংস্থা পিটিআইয়ে প্ৰকাশ কৰা অনুসৰি সন্ত্ৰাসবাদীয়ে অলপতে পাকিস্তান অধিকৃত কাশ্মীৰৰ পৰা নিয়ন্ত্ৰণ ৰেখা পাৰ কৰি আখনুৰত প্ৰৱেশ কৰিছিল। ইফালে সেনাৰে সংঘৰ্ষত নিহত সন্ত্ৰাসবাদীৰ পৰা এটা ওয়াৰলেছ ডিভাইচো উদ্ধাৰ কৰিবলৈ সক্ষম হয় সেনাই। ইয়াৰ দ্বাৰাই নিহত সন্ত্ৰাসবাদী কেইজনৰ জৈছ-এ মহম্মদৰ সৈতে সম্পৰ্ক থকাৰ তথ্য লাভ কৰে সেনাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কানাডাৰে সংঘাত তুংগত

ভাবুকি প্ৰদান কৰা বুলি চৰ্চা চলিছে। এনে পৰিপ্ৰেক্ষিতত ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আজি কানাডাক কঠোৰ সতৰ্কবাণী জাৰি কৰি ভাৰতীয় কোম্পানী আৰু চীন সীমান্তত আমেৰিকাৰ নিষেধাজ্ঞা সন্দৰ্ভত উত্থাপিত প্ৰশ্নৰ মুকলি উত্তৰ দিয়ে। কানাডাৰ পাৰ্লিয়ামেণ্টৰী হিলত অনুষ্ঠিত হোৱা দীপাৱলী কাৰ্যসূচী বাতিল সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে আমি এই সন্দৰ্ভত কিছু খবৰ দেখিছো। কানাডাৰ সাম্প্ৰতিক পৰিস্থিতিয়ে অসহিষ্ণুতা আৰু উগ্ৰবাদৰ চৰম সীমাত উপনীত হোৱাটো দুৰ্ভাগ্যজনক কথা। কানাডা চৰকাৰে ভিছাৰ সংখ্যা হ্ৰাস কৰা সন্দৰ্ভত জয়ছৱালে কয়, "আমি কানাডাত কৰ্মৰত আমাৰ ছাত্ৰ-ছাত্ৰী আৰু পেছাদাৰীসকলৰ সুৰক্ষা আৰু মংগলৰ দিশত নজৰ ৰাখিছো।" ৰণধীৰ জয়ছৱালে লগতে কয়, "কানাডা চৰকাৰে শেহতীয়াকৈ আমাৰ কিছু কনছুলেট বিষয়াক জনাইছে যে তেওঁলোকক অডিঅ' আৰু ভিডিঅ' নজৰবন্দীত ৰখা হৈছে আৰু আগলৈও ৰাখিব। এই কাৰ্য্যৰ আমি তীব্ৰ আপত্তি দৰ্শাইছো। আমি ইয়াক কূটনৈতিক আৰু কনছুলাৰ চুক্তিৰ গুৰুতৰ ভংগ বুলি গণ্য কৰোঁ। কানাডা চৰকাৰে এই কাৰ্য্যক কৌশলগত যুক্তিৰে ন্যায্যতা প্ৰদান কৰিব নোৱাৰে, কিয়নো ই স্পষ্টভাৱে হাৰাশাস্তি আৰু ভাবুকিৰ সমান। আমাৰ কূটনৈতিক আৰু কনছুলাৰ বিষয়াসকলে ইতিমধ্যে উগ্ৰবাদ আৰু হিংসাৰ পৰিস্থিতিত কাম কৰি আছে। কানাডা চৰকাৰৰ এই কাৰ্য্যই পৰিস্থিতি আৰু অধিক জটিল কৰি তুলিছে আৰু ই প্ৰতিষ্ঠিত কূটনৈতিক নীতি আৰু পদ্ধতিৰ সৈতে সম্পূৰ্ণ অসঙ্গতিপূৰ্ণ।" জয়ছৱালে লগতে কয়, "কালি কানাডাৰ উচ্চায়ুক্তৰ প্ৰতিনিধিক আমি কানাডাৰ শেহতীয়া লক্ষ্য অমিত শ্বাহৰ বিষয়ে মাতি আনিছিলো। টোকাটোত উল্লেখ আছে যে ভাৰতৰ গৃহমন্ত্ৰীক লৈ কানাডাৰ উপ-মন্ত্ৰী ডেভিদ মৰিছনে কৰা ভিত্তিহীন আৰু অযুক্তিকৰ মন্তব্যৰ প্ৰতি ভাৰত চৰকাৰে তীব্ৰ আপত্তি প্ৰকাশ কৰিছে। ইয়াৰ দ্বাৰা প্ৰমাণিত হৈছে যে কানাডাৰ উচ্চপদস্থ বিষয়াসকলে ইচ্ছাকৃতভাৱে আন্তৰ্জাতিক সংবাদ মাধ্যমত ভিত্তিহীন অভিযোগ বিয়পাই ভাৰতক কুৎসিত কৰি আন দেশক প্ৰভাৱিত কৰিছে। ইয়াৰ দ্বাৰা ভাৰত চৰকাৰৰ দীৰ্ঘদিনীয়া পৰ্যবেক্ষণক পুনৰ দৃঢ় কৰি তোলা হৈছে যে বৰ্তমানৰ কানাডা চৰকাৰৰ ৰাজনৈতিক পৰিকল্পনাৰ প্ৰতি আমাৰ দৃষ্টিভংগী শুদ্ধ। এনে দায়িত্বহীন কাৰ্য্যই দ্বিপাক্ষিক সম্পৰ্কত গুৰুতৰ প্ৰভাৱ পেলাব পাৰে।" জয়ছৱালে পুনৰ কয়, 'খালিস্তানীৰ ওপৰত সংঘটিত আক্ৰমণ সন্দৰ্ভত কানাডাই শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক টাৰ্গেট কৰি লোৱাক লৈ কালি আমি কানাডাৰ উচ্চায়ুক্তৰ প্ৰতিনিধিক তলব কৰিছিলো। টোকাটোত উল্লেখ আছে যে ভাৰতৰ গৃহমন্ত্ৰীগৰাকীক লৈ কানাডাৰ উপ-মন্ত্ৰী ডেভিদ মৰিছনৰ ভিত্তিহীন আৰু অযুক্তিকৰ মন্তব্যৰ ভাৰত চৰকাৰে তীব্ৰ বিৰোধিতা কৰিছে। ইয়াৰ পৰা স্পষ্ট হৈ পৰে যে কানাডাৰ উচ্চ বিষয়াসকলে ইচ্ছাকৃতভাৱে আন্তৰ্জাতিক সংবাদ মাধ্যমত ভিত্তিহীন অভিযোগ বিয়পাই ভাৰতৰ ভাৱমূৰ্তি বিনিষ্ট কৰিবলৈ চেষ্টা কৰিছে আৰু আন দেশক প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰিছে। এনেধৰণৰ অভিযোগে ভাৰত চৰকাৰে বৰ্তমানৰ কানাডা চৰকাৰৰ ৰাজনৈতিক পৰিকল্পনাৰ ওপৰত আমাৰ পৰ্যবেক্ষণ শুদ্ধ বুলি কৰি অহা দীৰ্ঘদিনীয়া দাবীক শুদ্ধ প্ৰমাণিত কৰিছে। এনে দায়িত্বহীন কাৰ্য্যই দ্বিপাক্ষিক সম্পৰ্কত গুৰুতৰ প্ৰভাৱ পেলাব।" বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰগৰাকীয়ে লগতে কয়, "শেহতীয়াকৈ কিছু লোকক আমেৰিকাৰ পৰা উভতাই পঠিওৱা হৈছে। আইনী অনুপ্ৰৱেশৰ বাবে অধিক সুযোগ সৃষ্টি কৰাৰ লক্ষ্যৰে আমি আমেৰিকাৰ সৈতে অনুপ্ৰৱেশ সম্পৰ্কে নিয়মীয়াকৈ আলোচনা কৰি আছো। আমাৰ কনছুলাৰ আলোচনাৰ ফলত আমেৰিকাৰ পৰা বিতাড়িত হোৱা লোকসকলক স্থানান্তৰিত কৰাৰ সুবিধা হৈছে যিসকলে অবৈধভাৱে আমেৰিকাত বাস কৰিছিল। আমি আশা কৰিছো যে এই সহযোগিতাৰ জৰিয়তে আমি অবৈধ অনুপ্ৰৱেশ ৰোধ কৰাত সফল হ'ম।" একে সময়তে ১৯টা ভাৰতীয় কোম্পানীৰ ওপৰত নিষেধাজ্ঞা সন্দৰ্ভত জয়ছৱালে কয়, "আমেৰিকাৰ এই নিষেধাজ্ঞাৰ খবৰ আমি ভালদৰে চাইছো। কৌশলগত বাণিজ্য আৰু অস্ত্ৰ প্ৰসাৰ নিয়ন্ত্ৰণৰ বাবে ভাৰতৰ এক শক্তিশালী আইনী আৰু নিয়ন্ত্ৰণ কাঠামো আছে। আমি তিনিটা প্ৰধান বহুপক্ষীয় অপ্ৰসাৰণ ৰপ্তানি নিয়ন্ত্ৰণ ব্যৱস্থাৰ সদস্য- ৱাচেনাৰ চুক্তি, অষ্ট্ৰেলিয়া গোট, আৰু মিছাইল প্ৰযুক্তি নিয়ন্ত্ৰণ ব্যৱস্থা আৰু ৰাষ্ট্ৰসংঘৰ প্ৰাসংগিক প্ৰস্তাৱসমূহ ফলপ্ৰসূভাৱে কাৰ্যকৰী কৰি আছো। আমি বিশ্বাস কৰোঁ যে এই কোম্পানীসমূহে ভাৰতীয় আইন উলংঘা কৰা নাই। কিন্তু ভাৰতৰ প্ৰতিষ্ঠিত অস্ত্ৰ প্ৰসাৰণৰ সুনামৰ প্ৰতি লক্ষ্য ৰাখি আমি সংশ্লিষ্ট ভাৰতীয় বিভাগ আৰু সংস্থাসমূহৰ সৈতে কাম কৰি আছো যাতে তেওঁলোকে প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰে আৰু নতুন ব্যৱস্থাসমূহৰ বিষয়ে সচেতন হয়।" উল্লেখ্য যে, সংবাদ মেলত ভাৰত আৰু চীনৰ সম্পৰ্ক সন্দৰ্ভত মন্তব্য কৰি জয়ছৱালে কয় যে যোৱা ২১ অক্টোবৰত দুযোখন দেশৰ মাজত চূড়ান্ত পৰ্যায়ৰ সেনা প্ৰত্যাহাৰ চুক্তি সম্পন্ন হৈছিল। ইয়াৰ ফলত পাৰস্পৰিকভাৱে চুক্তিবদ্ধ চৰ্তত ডেমচাক আৰু ডেপছাং অঞ্চলত পৰীক্ষণ টহল আৰম্ভ হোৱা বুলিও বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰগৰাকীয়ে জানিবলৈ দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাংকি পক্স অসমলৈ অহা বাতৰি মিছা!

অভিজিত শৰ্মাই স্পষ্টীকৰণ দি কয় যে এই খবৰ মিছা। মাংকী পক্স নহয় চিকেন পক্সৰ ৰোগীহে ধৰি পৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক অভিজিত শৰ্মাই নিশ্চিত কৰি কয় যে বৰ্তমান কোনো মাংকি পক্সৰ ঘটনা সংঘটিত ধৰা পৰা নাই। বিভিন্ন সংবাদ মাধ্যমত মাংকি পক্সৰ ৰোগী এজনৰ মৃত্যু হোৱা বুলি প্ৰকাশিত খবৰত উদ্বেগ প্ৰকাশ কৰি অভিজিত শৰ্মাই কয় যে ঘটনা প্ৰকৃততে চিকেন পক্সৰহে। মাংকি পক্স নহয়। সংবাদ মাধ্যমত ভুলকৈ প্ৰকাশ কৰা হৈছে। জিএমচিএইচত কোনো মাংকি পক্সৰ কেছ নাই। মাংকি পক্সৰ বিষয়ে ভুল তথ্যই অপ্ৰয়োজনীয় আতংকৰ সৃষ্টি কৰিব বুলিও শৰ্মাই আশংকা ব্যক্ত কৰে। প্ৰকাশিত খবৰ অনুসৰি জিএমচিএইচত মাংকি পক্সৰ ফলত এজন ব্যক্তিৰ মৃত্যু হৈছিল। কাৰ্ডিওথোৰাচিক আৰু স্নায়ুবিজ্ঞান কেন্দ্ৰৰ নিউৰো চাৰ্জাৰী বিভাগত ভৰ্তি কৰা হৈছিল ৰোগীজনক। এগৰাকী নাৰ্চ, এগৰাকী টেকনিচিয়ান আৰু এজন ৱাৰ্ড বয়সহ তিনি কৰ্মচাৰী মৃতকৰ সংস্পৰ্শলৈ অহাৰ লগতে একেই আৰু লক্ষণ দেখা দিয়া বুলিও খবৰ প্ৰকাশ পাইছিল। তাৰ পাছতে স্পষ্টীকৰণ দিয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# স্পেইনত বানত ২০০ লোকৰ মৃত্যু

দেশখনত দুশৰো অধিক লোকৰ মৃত্যু ঘটাৰ খবৰ পোৱা গৈছে। একে সময়তে বানত সন্ধানহীন হৈ আছে আন ডজন ডজন লোক। এতিয়াও অব্যাহত থকা ধাৰাসাৰ বৰষুণৰ বাবে আশংকা কৰা হৈছে যে স্পেইনত বানে অধিক ভয়ংকৰ ৰূপ ধাৰণ কৰিব পাৰে আৰু আন বহুতৰে জীৱনলৈ নমাই আনিব পাৰে মৃত্যুৰ হুমুনিয়াহ! উল্লেখ্য যে, যোৱা ৩১ অক্টোবৰৰ পৰাই স্পেইনত অবধাৰিতভাৱে হৈ আছে বৰষুণ। যাৰ ফলত সৃষ্টি হোৱা হড়পা বানে বিভীষিকা নমাই আনে কেইবাটাও অঞ্চললৈ। পথৰ কাষত ৰখাই থোৱা গাড়ী মটৰৰ পৰা দোকান, বাসগৃহলৈকে উটি যায় এই বানত। 'ৰুদ্ৰমূৰ্তি' ধাৰণ কৰা এই হড়পা বানৰ উপগ্ৰহ চিত্ৰই শিঁহৰিত কৰিছে সমগ্ৰ বিশ্ববাসীক। স্পেইনৰ প্ৰশাসনৰ মতে, বৰষুণ আৰু হড়পা বানৰ প্ৰভাৱৰ ফলত দক্ষিণ ভেলেন্সিয়া অঞ্চলটোৰ সৰ্বাধিক ক্ষতিসাধন হয়। এই অঞ্চলটোত মৃতকৰ সংখ্যাও সৰ্বাধিক বুলি প্ৰকাশ কৰিছে স্থানীয় প্ৰশাসনে। দেশখনৰ চৰকাৰী তথ্য অনুসৰি ৩১ অক্টোবৰ আৰু ১ নৱেম্বৰত সমগ্ৰ দক্ষিণ অংশত প্ৰচণ্ড বৰষুণ হয়। ফলত বহু উপকূলীয় অঞ্চল বহুবাৰ হড়পা বানৰ কবলত পৰে। স্পেইনৰ স্থানীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, হেল'ৱিন উৎসৱ উদযাপনৰ বাবে বহু সংখ্যক লোক ৰাজপথলৈ অহাৰ সময়তে হড়পা বানে সকলো ধাহি-মুহি নিয়াত মৃত্যুৰ সংখ্যা অধিক হয়। বৰ্তমান দেশখনৰ পৰিস্থিতিলৈ চাই মাদ্ৰিদ প্ৰশাসনে বাসিন্দাসকলক বিশেষ নিৰ্দেশনা জাৰি কৰিছে। প্ৰাকৃতিক দুৰ্যোগ শেষ নোহোৱালৈকে মানুহক ঘৰতে থাকিবলৈ কোৱা হৈছে। অৱশ্যে বতৰ বিভাগে ভৱিষ্যদ্বাণী কৰিছে যে আকাশ সম্পূৰ্ণৰূপে পৰিষ্কাৰ হ'বলৈ আৰু দুই-তিনি দিন লাগিব পাৰে। স্পেইন চৰকাৰে বানাক্ৰান্ত অঞ্চলসমূহত আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনী আৰু অসামৰিক প্ৰতিৰক্ষাৰ লগতে সেনাবাহিনী মোতায়েন কৰিছে। যুদ্ধকালীন অভিযানত কমেও ৭৫০ জন জোৱানে উদ্ধাৰ অভিযান চলাই আছে বুলি জানিব পৰা গৈছে। মন কৰিবলগীয়া যে হড়পা বানৰ সমান্তৰালকৈ দক্ষিণ উপকূলীয় অঞ্চলৰ ওপৰেৰে ভয়ংকৰ বোকা প্ৰবাহ বৈ গৈছে। যাৰ বাবে বহু লোক বোকাৰ মাজত পোত যোৱাৰ আশংকা কৰা হৈছে। উদ্ধাৰকাৰীসকলে বোকা আঁতৰাই লোকসকলৰ উদ্ধাৰৰ বাবে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে। ইফালে হড়পা বানে স্পেইনৰ কেইবাটাও অঞ্চলৰ ৰে'লপথ আৰু মূল পথসমূহ উটুৱাই নিয়াত বানপীড়িত অঞ্চলসমূহত উদ্ধাৰকাৰ্য চলোৱাত আৰু সাহায্য বিতৰণত তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে উদ্ধাৰকাৰী দল। অন্যহাতে বানৰ প্ৰভাৱ কমাৰ পিছতে তেনে অঞ্চলসমূহত শীতকালৰ আৰম্ভণিতে ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱাৰ আশংকা কৰিছে বিশেষজ্ঞসকলে। এনে পৰিস্থিতিত বানাক্ৰান্ত একাংশই স্পেইনৰ মিত্ৰজোঁট চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছে। তেওঁলোকৰ অভিযোগ যে পেড্ৰ' ছানচেজৰ চৰকাৰে সকাহৰ পৰা আৰম্ভ কৰি জীৱন ৰক্ষালৈকে সকলোতে ব্যৰ্থ হৈছে। উল্লেখ্য যে, ১ নৱেম্বৰত বতৰ বিজ্ঞান বিভাগৰ কাৰ্যালয় পৰিদৰ্শন কৰিছিল প্ৰধানমন্ত্ৰী ছানচেজে। বান নিয়ন্ত্ৰণৰ বাবে মুকলি কৰা কণ্ট্ৰল ৰুমতো তেওঁক বহু সময় ধৰি দেখা গৈছিল। তাত কৰ্মৰত বিষয়াসকলক তেওঁ প্ৰয়োজনীয় নিৰ্দেশনা দিছিল। কিন্তু এনে পৰিস্থিতিতে শাসকীয় দলৰ বিৰুদ্ধে বানাক্ৰান্তৰ ক্ষোভৰ ফলত অনাগত দিনত জনসমৰ্থন হেৰুৱাওৱাৰো সম্ভাৱনা ব্যক্ত কৰিছে দেশখনৰ একাধিক সংবাদ মাধ্যমে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত-হেমন্তৰ যুদ্ধই পালে নতুন মাত্ৰা

প্ৰশ্ন উত্থাপন কৰে। এদিন পূৰ্বে হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ প্ৰাৰ্থী ড০ নীৰা যাদৱৰ হৈ প্ৰচাৰ চলাই ১৯৫১ চনত সন্থল পৰগনা এলেকাৰ জনসংখ্যা উল্লেখ কৰি অনুপ্ৰৱেশক লৈ প্ৰশ্ন উত্থাপন কৰে। সন্থল পৰগনাৰ ১৯৫১ চনৰ তথ্য উল্লেখ কৰি জনসংখ্যা ২৩ লাখ আছিল বুলি কয়। ২৩ লাখৰ ভিতৰত ২০ লাখ জনসংখ্যা হিন্দু আৰু জনজাতীয় আছিল। সেই সময়ত মাত্ৰ ২ লাখ ১৯ হাজাৰ মুছলমান আছিল। হিন্দুৰ জনসংখ্যা ৯০ শতাংশৰ পৰা ৬৭ শতাংশলৈ হ্ৰাস পোৱাৰ বিপৰীতে মুছলমান জনসংখ্যা ১০ শতাংশৰ পৰা প্ৰায় ৪০ শতাংশলৈ বৃদ্ধি পাইছে বুলি কোৱাৰ পাছতে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰণে তীব্ৰ আক্ৰমণ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। অসমৰ চাহ জনগোষ্ঠীৰ লোকৰ প্ৰসংগ টানি আনি হেমন্ত চোৰণে কয় যে উত্তৰ-পূবৰ ৰাজ্য অসমত বসবাস কৰি ঝাৰখণ্ডৰ জনজাতিক এছটি মৰ্যাদা দিয়া নহয়। নিৰ্বাচনী জনসভাত ভাষণ দি চোৰেণে কয় যে ঝাৰখণ্ডত শিপা থকা বহু সংখ্যক লোকে অসমৰ চাহ বাগিচাত বাস কৰে। তেওঁলোকৰ অৱস্থা ভাল নহয়। অসমৰ মুখ্যমন্ত্ৰীয়ে ইয়াত জনজাতীয় লোকসকলৰ শুভাকাংক্ষী হোৱাৰ ভাও ধৰিছে। তেওঁৰ ৰাজ্যখনত ঝাৰখণ্ডৰ জনজাতিসকলক অনুসূচীত জনজাতিৰ মৰ্যাদা প্ৰদান নকৰি পৰিচয় মোহাৰি পেলাইছে। অসমৰ মুখ্যমন্ত্ৰীয়ে সেইসকল লোকে অসমৰ অৰ্থনীতিলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা বুলি কোৱা স্বত্বেও জনজাতিকৰণ কৰা হোৱা নাই। মুখ্যমন্ত্ৰীক এখন পত্ৰ দিয়া হৈছিল। কিন্তু ব্যৱস্থা নোলোৱাত ঝাৰখণ্ড চৰকাৰে অসমৰ লোকসকলৰ দুৰ্দশা অধ্যয়নৰ বাবে এখন সমিতি গঠনত অনুমোদন জনাইছে। কেবিনেট বৈঠকত এই সিদ্ধান্ত লোৱা হৈছিল বুলিও কয় চোৰেণে। চোৰেণ অসম চাহ জনগোষ্ঠীৰ লোকৰসকলৰ প্ৰসংগ উল্লেখ কৰি আৰু কয় যে ঝাৰখণ্ডৰ জনজাতীয় লোকসকলক ব্ৰিটিছে অসমলৈ আনিছিল। তেওঁলোকৰ সংখ্যা প্ৰায় ১৫ ৰ পৰা ২০ লাখ যদিও নিজ অধিকাৰৰ বাবে যুঁজি থাকিবলগীয়া হৈছে। জনজাতীয় লোকসকলে অসম চাহ বাগিচাত কাম কৰি আছে। তেওঁলোকক এতিয়ালৈকে এছটিৰ মৰ্যাদা দিয়া হোৱা নাই। তেওঁলোকক কল্যাণমূলক আঁচনিৰ পৰা বঞ্চিত কৰা হৈছে। আমাৰ চৰকাৰে সকলো মূল বাসিন্দাক ঝাৰখণ্ডলৈ উভতি যাবলৈ আমন্ত্ৰণ জনাইছে। আমি অনুসূচীত জনজাতি, অনুসূচীত জাতি, সংখ্যালঘু আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰীৰ অধীনত এই সমস্যা অধ্যয়ন কৰিবলৈ এখন সমিতি গঠন কৰিম। সৰ্বদলীয় প্ৰতিনিধিত্ব থাকিব। সেই ঠাইবোৰলৈ যাব আৰু আৱাস, চাকৰি, অধিকাৰ আদিৰ সৈতে সম্পৰ্কিত সমস্যাবোৰ অধ্যয়ন কৰিব। সমিতিৰ পৰামৰ্শৰ ভিত্তিত কল্যাণমূলক ব্যৱস্থা প্ৰৱৰ্তন কৰিব বুলিও কয় চোৰেণে। এনেকৈ এতিয়া নিৰ্বাচনক লৈ তুংগত উঠিছে ঝাৰখণ্ড আৰু অসমৰ মুখ্যমন্ত্ৰীৰ মাজৰ বাকযুদ্ধ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিন্দুক জগাবলৈ গুৱাহাটীত বাগেশ্বৰ

উপস্থিত হয় ধীৰেন্দ্ৰ শাস্ত্ৰী ওৰফে বাগেশ্বৰ ধাম বাবা। মা কামাখ্যাৰ আশিষ ল'বলৈ গুৱাহাটীত উপস্থিত হৈ ধীৰেন্দ্ৰ শাস্ত্ৰীয়ে অসমৰ পৰিস্থিতিক লৈ মন্তব্য প্ৰদান কৰে অসমত পদযাত্ৰা কৰিবলৈ অহাৰ কথা উল্লেখ কৰে। সকলো হিন্দুক একত্ৰিত কৰাৰ আশ্বাস প্ৰদান কৰে। ২১-২৯ নৱেম্বৰলৈ মধ্য প্ৰদেশৰ পৰা উত্তৰ প্ৰদেশ সীমান্তলৈ ১৬০ কিলোমিটাৰ পথ হিন্দুক একত্ৰিত কৰিবলৈ আৰু ধৰ্মবিৰোধীক শক্তি দেখুৱাবলৈ পদযাত্ৰা কৰাৰ কথা ঘোষণা কৰে। এই পদযাত্ৰাৰ বাবে মা কমাখ্যাৰ আশীৰ্বাদ ল'বলৈ মা কামাখ্যালৈ অহা বুলি কয় বাগেশ্বৰ ধাম মহাৰাজে। দীপাৱলীত ফটকা ফুটুৱালৈ প্ৰদূষণ হয় বুলি অভিযোগ উত্থাপন কৰাসকলক উত্তৰ দি বাগেশ্বৰ ধাম মহাৰাজে কয় যে কেৱল দীপাৱলীত ফটকা ফুটালেই প্ৰদূষণ নহয়। এক জানুৱাৰীত ফটকা ফুটালেও প্ৰদূষণ হয়। ২৫ ডিচেম্বৰত খ্ৰীষ্টমাৰ্চত ফটকা ফুটালেও প্ৰদূষণ হয়। বলিউদৰ কিছুমানে কৈছে যে ফটকা ফুটালে জন্তুৱে ভয় খাব। ফটকা ফুটালে প্ৰদূষণ বাঢ়িব। যেতিয়া ফিল্ম ৰিলিছ হয় তেতিয়াও বলিউদৰ লোকসকলে ফটকা ফুটাই। ভাৰতৰ লগতে অসমৰ কিছু ঠাইত বিদেশী শক্তিৰ উত্থান হোৱা বুলি দাবী কৰি বাগেশ্বৰ ধাম মহাৰাজে কয় যে বিদেশী পুঁজি প্ৰেৰণ কৰি সনাতনী হিন্দুক প্ৰলোভন দি ধৰ্মান্তৰিত কৰাৰ অভিযোগ আনে। এয়া বৃহৎ ষড়যন্ত্ৰ বুলি দাবী কৰি এনে ষড়যন্ত্ৰৰ বিৰুদ্ধে ভাৰতক একত্ৰিক কৰিবলৈ জাত-পাত, ভেদভাৱ, চোৱা-চুত সমাপ্ত কৰি পদযাত্ৰা কৰা হ'ব বুলি কয়। অসমতো পদাযাত্ৰা কৰি লগতে অসমত হিমন্ত বিশ্ব শৰ্মাৰ দৰে মুখ্যমন্ত্ৰী থকাটো সৌভাগ্য বুলিও কয়। বাগেশ্বৰ ধাম বাবাৰ এই আগমনত উৎসাহী হৈ পৰিছে অনুগামীসকল। ইয়াৰ পূৰ্বেও এবাৰ কামাখ্যা ধামত উপস্থিত হৈ বাগেশ্বৰ ধাম মহাৰাজে সেৱা লৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘যোদ্ধা হ’ল বুলিয়েই যুদ্ধৰ সময়ত

বৰাই আজি সহযোগী দলৰ নেতা অখিল গগৈক উভতি ধৰে। বৰাই ধলাই সমষ্টিত প্ৰচাৰ চলাবলৈ যোৱাৰ পূৰ্বে গুৱাহাটী বিমান বন্দৰত সাংবাদিকৰে হোৱা বাৰ্তালাপত কয় যে বিজেপি বিৰোধী শক্তি তথা মানুহক বিভ্ৰান্ত কৰাৰ ক্ষেত্ৰত অখিল গগৈয়ে যি ভূমিকা পালন কৰিছে সেয়া অসমৰ ৰাইজে দেখি আছে। বৰাক উপত্যকাৰ ধলাই সমষ্টিত প্ৰচাৰ চলাবলৈ যোৱাৰ সময়ত গুৱাহাটী বিমান বন্দৰত ভূপেন বৰাই সাংবাদিকৰে মুখামুখি হৈ অখিল গগৈকে ভাল যোদ্ধা আখ্যা দিয়ে যদিও অস্ত্ৰ ভুলকৈ পৰিচালনা কৰা বুলি আক্ষেপ কৰিছে ভূপেন বৰাই। আজি অখিল গগৈৰে কংগ্ৰেছ বিৰোধী মন্তব্যসমূহৰ প্ৰত্যুত্তৰ দি ভূপেন বৰাই কয় যে অখিল গগৈ এজন ভাল যোদ্ধা, তাত মোৰ কোনো সন্দেহ নাই। কিন্তু যোদ্ধাই অস্ত্ৰ ভুল পৰিচালনা কৰিব নালাগে। যদি আপুনি এজন ভাল যোদ্ধা হ’ব বিচাৰে তেতিয়া আপুনি অস্ত্ৰটো কেতিয়া, কোন ফালে মাৰিব লাগে, কোন অস্ত্ৰ কাৰ গাত মাৰিব লাগে সেই কথা জানিব লাগে বুলি অখিল গগৈক পৰামৰ্শ দিয়ে ভূপেন বৰাই। ভূপেন বৰাই আৰু কয় যে এতিয়া উপ-নিৰ্বাচনত ৰাইজে বিজেপিক পৰাজিত কৰিব বিচাৰিছে। আমি যিবিলাক মানুহে বিজেপিৰ বিৰুদ্ধে যুঁজি আছো, সেইবিলাক মানুহে ৰাইজক কেতিয়াও বিভ্ৰান্ত কৰিব নালাগে। বিজেপি বিৰোধী যুঁজখনত আমি সকলোৱে আছো। কিন্তু আমি যদি কিছু কথা কৈ থাকো, তেতিয়া বিজেপি বিৰোধী মানুহে মনত আঘাত পাব। ৰাইজ বিভ্ৰান্ত হ’ব। তেতিয়া লাভ কাৰ হ’ব। বিজেপিৰ লাভ হ’ব পৰা, বিজেপি বিৰোধী মানুহ খিনিয়ে অন্তৰত আঘাত পাব পৰা কোনো বক্তব্য বিজেপি বিৰোধী নেতাই দিব নালাগে। গৌৰৱ গগৈ আৰু ভূপেন বৰাৰ সংঘাতক লৈ সাংবাদিকে প্ৰশ্ন কৰাত উত্তৰত ভূপেন বৰাই কয় যে গৌৰৱ গগৈক আমাৰ দলে লোকসভাত উপ-দলপতিৰ দায়িত্ব দিছে। বিহালীক তেওঁক প্ৰচাৰৰ দায়িত্ব আমি দলেই দিছো। তেওঁ নিজেই বিহালীলৈ যোৱা নাই। অজিত সিঙক ধলাই, প্ৰদ্যুৎ বৰদলৈক বঙাইগাঁও, জাকিৰ হুছেইন সিকদাৰক ছিদলী আৰু ৰকিবুল হুছেইনক চামগুৰিৰ দায়িত্ব দিছো। সেই দায়িত্ব আমিহে দিছো। যেনেকৈ প্ৰদ্যুৎ বৰদলৈয়ে বঙাইগাঁৱত, ৰকিবুল হুছেইনে চামগুৰিত কাম কৰিছে তেনেকৈ গৌৰৱ গগৈয়ে বিহালীত কাম কৰি আছে। মই নিজেই সকলো সমষ্টিলৈ গৈ আছো। তাতে সংঘাতৰ কথা নাই। নামনি অসমৰ সমখ্যালঘূ এলেকাত সভা-সমিতি অনুষ্ঠিত কৰি ৰাইজৰ দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ উঠি-পৰি লাগিছে শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈ। কেৱল সংখ্যালঘূ এলেকাত নিৰ্বাচনী তৎপৰতা অব্যাহত ৰখাত অখিল গগৈৰ বিৰুদ্ধে বহু অভিযোগ উত্থাপন হৈ আহিছে। অখিল গগৈৰে স্থিতি সন্দেহজনক বুলি অভিযোগ উত্থাপন কৰি অখিল গগৈয়ে কোনো দলক উপকৃত কৰিবলৈ সংখ্যালঘু এলেকাত জাল পেলোৱা বুলি অভিযোগ উঠিছে। ২০২৬ চনৰ নিৰ্বাচনত বিজেপিক সহায় কৰবিলৈ সংখ্যালঘূ এলেকাত সংখ্যালঘু প্ৰাৰ্থী থিয় কৰাই অখিল গগৈয়ে বিজেপিক সহায় কৰিব খুজিছে বুলি অভিযোগ উঠি আহিছে। নামনি অসমত কংগ্ৰেছৰ ভোট বিভাজন কৰিবলৈ অখিল গগৈয়ে তৎপৰ হোৱা বুলি অভিযোগৰ মাজতে আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই সেই সুৰতে সুৰ মিলাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাটত নিশা অগ্নিকাণ্ডত জীৱন্তে

সমীপত যোৱা নিশা সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। এই ঘটনাত এজন লোক জীৱন্তে অগ্নিদগ্ধ হোৱাৰ লগতে তিনিখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান জুইত নিঃশেষ হৈ যায়। এই অগ্নিকাণ্ড সংঘটিত হয় ভোগদৈ দলঙৰ সমীপৰ ভোগদৈ মছজিদৰ সমীপৰ ব্যৱসায়িক প্ৰতিষ্ঠানত। অগ্নিকাণ্ডৰ ফলত তিনিখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান ক্ষতিগ্ৰস্ত হোৱাৰ লগতে জ্বলি ভস্মীভূত হয় কেইবা কোটি টকাৰ সা-সম্পত্তি। জানিব পৰা মতে, যোৱা নিশা পৱিত্ৰ দেৱালী উদযাপন কৰাৰ পাছত সকলো ব্যৱসায়িক প্ৰতিষ্ঠান প্ৰশাসনৰ নীতি নিয়ম অনুসৰি বন্ধ কৰা হৈছিল। তাৰ মাজতে, নিশা প্ৰায় ১২ বজাত হঠাৎ এক অগ্নিকাণ্ডৰ সূত্ৰপাত হয় যোৰহাটৰ এ টি ৰোডৰ কাষৰ ভোগদৈ মুখ মছজিদৰ সমীপৰ তুলাৰাম সুৰেন্দ্ৰ কুমাৰ কুণ্ডলীয়া নামৰ গেলামালৰ পাইকাৰী দোকানখনত। জুইৰ শিখাই নিমিষতে ব্যৱসায়িক প্ৰতিষ্ঠানখন আগুৰি ধৰে আৰু ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ দাঁতিতে থকা ব্যৱসায়ীগৰাকীৰ দুজন ভাতৃ ক্ৰমে পাপু কুণ্ডলীয়া আৰু ৰাজু কুণ্ডলীয়াৰ ব্যৱসায়িক প্ৰতিষ্ঠানলৈও বিয়পি পৰে জুই। এই অগ্নিকাণ্ড ইমানেই ভয়াৱহ আছিল যে জুইৰ লেলিহান শিখা প্ৰায় এক কিলোমিটাৰ পৰ্যন্ত প্ৰত্যক্ষ কৰা হৈছিল। অগ্নিকাণ্ড সংঘটিত হোৱাৰ খবৰ পাই যোৰহাট, তিতাবৰ অগ্নিনিৰ্বাপক বাহিনীৰ কেইবাখনো গাড়ীৰ লগতে অ’ এন জি চি আৰু বায়ুসেনাৰ অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ অশেষ কষ্ট কৰি আজি পুৱালৈ অগ্নি নিৰ্বাপিত কৰিবলৈ সক্ষম হয়। আনহাতে, অগ্নিকাণ্ড কিদৰে সংঘটিত হ’বলৈ পালে তাৰ কোনো তথ্য লাভ কৰা হোৱা নাই। এই সন্দৰ্ভত যোৰহাট জিলা প্ৰশাসনৰ বিষয়া উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। এই অগ্নিকাণ্ড শ্ব’ৰ্ট চাৰ্কিটৰ ফলত হোৱা বুলি সন্দেহ কৰা হৈছে। একাংশই কোনো অত্যুসাহী লোকে উদণ্ডভাৱে ফটকা ফুটোৱাৰ ফলতে এয়া হ’ব পাৰে বুলিও আশংকা কৰিছে। ইফালে, এই অগ্নিকাণ্ডৰ ফলত শোৱা পাটিতে অগ্নিদগ্ধ হৈ কৰুণ মৃত্যুক আঁকোৱালি লয় এজন লোকে। মৃত লোকজন হৈছে জুইত জাহ যোৱা এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ্মচাৰী সুশীল কুমাৰ ৰায় (৩৭)। সুশীলৰ ঘৰ বিহাৰৰ চাপৰা জিলাত বুলি জানিব পৰা গৈছে। মৃত ব্যক্তিগৰাকী অগ্নিকাণ্ড সংঘটিত হোৱাৰ সময়ত এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ পিছ ফালৰ নিজৰ কোঠাত শুই আছিল। লোকজনৰ মৃতদেহ আজি পুৱা উদ্ধাৰ কৰিবলৈ সক্ষম হয় উদ্ধাৰকাৰী দলে। আনহাতে, আজি জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসনৰ লোকে ঘটনাস্থলী পৰিদৰ্শন কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫ নৱেম্বৰক লৈ বিশ্বজুৰি বৃদ্ধি উৎকণ্ঠা!

ইয়াকে লৈ আমেৰিকাৰ লগতে সমগ্ৰ বিশ্বৰে দৃষ্টি নিবদ্ধ হৈ আছে। ঘণ্টা, মিনিট, ছেকেণ্ড যিমানেই পাৰ হৈছে সিমানেই সঘনে সঘনে সলনি হৈছে দৃশ্যপট। ঘনাই পট সলনি হোৱা আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগ্ৰহণ আৰম্ভ হোৱাৰ লগে লগে ট্ৰাম্পক চেৰ পেলাই আগবাঢ়িছে কমলা হেৰিছ। আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগ্ৰহণ ৫ নৱেম্বৰত অনুষ্ঠিত হ’ব যদিও দেওবাৰৰ পৰাই যুক্তৰাষ্ট্ৰখনত আৰম্ভ হৈছে আগতীয়া ভোটগ্ৰহণ। শুকুৰবাৰলৈ ইতিমধ্যে দেশখনৰ প্ৰায় ছয় নিযুত ভোটাৰে তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিছে। উল্লেখ্য যে, আমেৰিকাৰ যোগ্য ভোটাৰৰ সংখ্যা হৈছে ২৩ কোটিতকৈ অধিক। ইফালে এই নিৰ্বাচনত পঞ্জীয়নভুক্ত ভোটাৰৰ সংখ্যা হৈছে প্ৰায় ১৬ কোটি। বিগত ২০২০ চনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত দেশখনত ভোটদানৰ হাৰ আছিল ৬৬ শতাংশ। আমেৰিকাৰ এইবাৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত ৰিপাব্লিকানৰ প্ৰাৰ্থী ডোনাল্ড ট্ৰাম্পৰ বিৰুদ্ধে ৰণাঙ্গনত নামিছে ডেম’ক্ৰেটিক পাৰ্টিৰ বিদায়ী উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছ। যুক্তৰাষ্ট্ৰখনত আগতীয়া ভোটদান আৰম্ভ হোৱাৰ লগে লগে ইয়াৰ দ্বাৰা ডোনাল্ড ট্ৰাম্প লাভান্বিত হ’ব বুলি দাবী কৰে তেওঁৰ সমৰ্থকসকলে। অৱশ্যে নিৰ্বাচনৰ পূৰ্বে বিভিন্ন সংস্থাই প্ৰকাশ কৰা জনমত সমীক্ষাত দেখা গৈছে এক ওলোটা ছবি। এবিচি নিউজ-ইপছছ, নিউয়ৰ্ক টাইমছ-ছিয়েনা কলেজ আৰু চিএনএনৰ জনমত সমীক্ষা অনুসৰি ট্ৰাম্পতকৈ ১৯ৰো অধিক পইন্টত আগবাঢ়ি আছে কমলা হেৰিছ। কিন্তু ইতিহাসে কয় যে ২০১৬ চনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ সময়তো ট্ৰাম্পক পিছ পেলাই থৈ গৈছিল ডেম’ক্ৰেটিক দলৰ প্ৰতিদ্বন্দ্বী হিলাৰী ক্লিণ্টনে। কিন্তু শেষত ট্ৰাম্পেই যুদ্ধত জয়ী হৈছিল। প্ৰসংগক্ৰমে, আমেৰিকাৰ ৫০খন ৰাজ্যৰ প্ৰতিখনতে নিজাকৈ ভোটদান ব্যৱস্থা আছে। ডাকযোগে আৰু ব্যক্তিগতভাৱে ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণৰ বাবে বিভিন্ন প্ৰদেশত আগতীয়াকৈ নিৰ্বাচনৰ দিনত ভোটদানৰ ব্যৱস্থা আছে। কিছুমান প্ৰদেশত তিনিওটা পদ্ধতি একেলগে ব্যৱহাৰ কৰা হয়। এইবাৰৰ নিৰ্বাচনত কমলা হেৰিছ সাতখন “নিৰ্ণায়ক” প্ৰদেশৰ ভিতৰত ছখন প্ৰদেশত আগবাঢ়ি আছে বুলি প্ৰাৰম্ভিক সমীক্ষাত প্ৰকাশ পাইছে। এনেকৈ এতিয়া আকৰ্ষণীয় হৈ পৰিছে এই যুঁজ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটী বিমান বন্দৰত বোমাতংক

বিমান বন্দৰৰ পৰা উৰা মাৰিবলগীয়া এখন বিমানত বোমা থকা বুলি ফোন লাভ কৰাত গুৱাহাটী বিমান বন্দৰত হাহাকাৰ লাগে। বোমাৰে বিমানখন উৰুৱাই দিয়াৰ ভাবুকি দিয়াত কেইবাঘণ্টা ধৰি যাত্ৰী, বিমান বন্দৰৰ বিষয়া-কৰ্মচাৰী আৰু নিৰাপত্তাৰক্ষীৰ মাজত হাহাকাৰ লাগে। গুৱাহাটী বিমান বন্দৰৰ পৰা চেন্নাই অভিমুখে উৰা মাৰিবলৈ সাজু হৈ থকাৰ সময়তে বিমানখনত বোমা থকাৰ বুলি ফোনকল লাভ কৰে বিমান বন্দৰ কৰ্তৃপক্ষই। ৬-ই-১১৯ নম্বৰৰ ইণ্ডিগ বিমানখনত বোমা সংস্থাপন কৰি থোৱাৰ খবৰ লাভ কৰাৰ পাছতে হাহাকাৰ লাগে বিমান বন্দৰত। ৬-ই-১১৯ নম্বৰৰ ইণ্ডিগ বিমানখনৰ উৰণ স্থগিত কৰি লগে লগে নিৰাপত্তাৰক্ষীয়ে পৰীক্ষাৰ ব্যৱস্থা কৰে। দীৰ্ঘ সময় পৰীক্ষা-নিৰীক্ষাৰ অন্তত তেনে কোনো বিস্ফোৰক উদ্ধাৰ হোৱাৰ কথা জানিব পৰা হোৱা নাই। ৬-ই-১১৯ নম্বৰৰ ইণ্ডিগ বিমানখন বিয়লি ৪ বজাত গুৱাহাটীৰ পৰা চেন্নাইলৈ উৰা মৰাৰ কথা আছিল। বিমানখনত বোমা থকা বুলি ফোন অহাৰ পিছতেই চিআইএছএফৰ দলে পৰীক্ষা কৰে। ২৫ অক্টোবৰতো গুৱাহাটী বিমান বন্দৰত আন এখন বিমানৰ জৰুৰী অৱতৰণ কৰিবলগীয়া হৈছিল। দিল্লীৰ পৰা শ্বিলং অভিমুখী এখন বিমান গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত জৰুৰী অৱতৰণ কৰাত যাত্ৰীৰ মাজত হাহাকাৰ লাগিছিল। স্পাইচজেটৰ এছইজে ২৪৪৮ নম্বৰৰ বিমানখনত ফোন যোগে বোমা থকা বুলি দাবী কৰাত শ্বিলং অভিমুখী বিমানখন গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত জৰুৰী অৱতৰণ কৰিবলগীয়া হৈছিল। এই ঘটনাই এক শ্বাসৰুদ্ধকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অখিলৰ আকৌ কংগ্ৰেছক আক্ৰমণ

অভিযোগৰ পাছতে মিত্ৰতাৰ গইনা লৈ নামনি অসমত হঠাতে অখিল গগৈৰ দলে ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। এনে তৎপৰতাই বহু কথাৰ ইংগিত দিয়া বুলি ইতিমধ্যে সামাজিক মাধ্যমত ব্যাপক চৰ্চা হৈছে। কালি ধুবুৰী, বৰপেটা, গোৱালপাৰাৰ পাছতে বঙাইগাঁৱৰ সংখ্যালঘু এলেকাত অখিল গগৈয়ে বিগত তিনিটা দিনত সভা-সমিতি কৰি গৈছে। সংখ্যালঘু এলেকাত সভা-সমিতি কৰি অখিল গগৈয়ে এক বৃহৎ কৌশলগ্ৰহণ কৰিছে বুলি কংগ্ৰেছৰ ভিতৰমহলত চৰ্চা হ'ব ধৰাৰ খবৰ পোৱা গৈছে। অখিল গগৈয়ে ২০২৬ চনৰ নিৰ্বাচনত ১২৬ সমষ্টিত নিৰ্বাচন খেলিববলৈ মন মেলি নামনি অসমত কংগ্ৰেছক বৃহৎ ক্ষতি কৰাৰ ৰণ সাজু কৰিছে। নামনি অসমত জয়ী হ'ব নোৱাৰিলেও কংগ্ৰেছৰ সংখ্যালঘু ভোট বিভাজন কৰি বিজেপিক সহায় কৰাৰ পাং পতা বুলি সন্দেহ কৰিছে কংগ্ৰেছৰ শীৰ্ষমহলে। কংগ্ৰেছৰ এটা সূত্ৰই দাবী কৰা মতে অখিল গগৈৰ মন্তব্যসমূহ আৰু গতিবিধিয়ে বিজেপিক সহায় কৰিব পাৰে। তাৰ মাজতে নামনিৰ জিলাকেইখনত ব্যস্ত থকা অখিল গগৈয়ে আজি পুনৰ কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰিছে। আজিৰ তাৰিখত কংগ্ৰেছৰ অকলশৰে নিৰ্বাচন খেলি বিজেপিক পৰাভূত কৰিব পৰা ক্ষমতা নাই বুলি কয়। গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰী হোৱাৰ সপোনৰ বাবে বিৰোধী ঐক্য ভাঙি পেলোৱা বুলি উল্লেখ কৰিছে অখিল গগৈয়ে। বঙাইগাঁও জিলাৰ শালমৰা সমূহীয়া ভৱনত ৰাইজৰ দলৰ এক যোগদান সভাত অংশ লৈ ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে কয় যে কংগ্ৰেছে যেতিয়াই ভাবে যে গাটো অকণমান সবল হৈছে, তেতিয়াই ভাবে যে এতিয়া আমি অকলে খাম আৰু বেলেগক কাকো খাবলৈ নিদিও। কংগ্ৰেছৰ যেতিয়া বেয়া থাকে তেতিয়া আমাক লাগে। যেতিয়া আমি অলপ বেয়াটোৰ পৰা সকলোৰে মিলি ভাল পৰিস্থিতিৰ সৃষ্টি কৰিলো, তেতিয়া কৈ দিলে যে নাই এতিয়া ফলটো আমি অকলে খাই দিব লাগে। গছডাল ৰুও একে লগতে। খেতিটো গোটেই বিলাকে একেলগে কৰো। চাফ-চিকুণ গোটেই বিলাক একেলগে কৰো। যেতিয়া ফলটো পকিলে তেতিয়া কংগ্ৰেছে ক'লে এতিয়া আমি অকলে খাম তোমালোকক দিয়া নহ'ব। এনেকৈ বন্ধুত্ব থাকিব নে প্ৰশ্ন কৰি অখিলে কয় যে তেতিয়া বন্ধুত্ব থাকিব নেকি? ২০২১ চনত কংগ্ৰেছ দলে আমাক বিশ্বাসঘাতকতা কৰিলে বুলি আক্ষেপ কৰি অখিলে কয় যে ২০২১ চনত ৰাইজৰ দলে কংগ্ৰেছৰ লগত একেলগে নিৰ্বাচন খেলিববলৈ চুক্তিবদ্ধ হৈছিল। যেতিয়া বিপিএফ আহিল তেতিয়া আমাক লাট মাৰি দিলে। ২০২৪ চনত আমি মাত্ৰ এটা সমষ্টি বিচাৰিছিলো যোৰহাট। আমাক নিদিও বুলি ক'লে আমি এৰি দিলো। আমি মানি ল'লো। উপ-নিৰ্বাচনত আসন বিচৰাৰ প্ৰসংগ উল্লেখ কৰি অখিল গগৈয়ে আৰু কয় যে অসমৰ ৫ আসনৰ উপ-নিৰ্বাচনত বঙাইগাঁও সমষ্টি বিচাৰিছিলো। কাৰণ বঙাইগাঁৱত কোনো দিন কংগ্ৰেছ নিজিকে। বঙাইগাঁৱত আঞ্চলিক শক্তি জিকে। ৰাইজৰ দলক বঙাইগাঁও সমষ্টি এৰি দিয়ক বুলি কলো। প্ৰথমে দিও বুলি ক'লে, পিছত একো নকলে। তেতিয়া আমি নালাগে বুলি ক'লো। কিন্তু গোটেই ১৬টা দলৰ ভিতৰত বিৰোধী দলক এখন আসন এৰি দিয়ক বুলি কৈছিলো। বিহালীখন এৰি দিয় বুলি ক'লো। জীতেন্দ্ৰ সিঙে নিজেই তেওঁ যিটো ক'ব সেইটোৱে হ'ব বুলি কৈ এক ৰাতিৰ ভিতৰত কথাটো বদলাই গৌৰৱ গগৈ মুখ্যমন্ত্ৰী হোৱাৰ সপোনত আমাৰ গোটেই ইউনিটি ভাঙি দিলে। কংগ্ৰেছক এতিয়া আমি গোটেই বিলাকে ক'ব লাগে ভাৰতবৰ্ষত ক'ত আপোনালোকে অকলশৰীয়াকৈ কোনখন ৰাজ্যত বিজেপিক পৰাজিত কৰিব পাৰিছে কোৱাচোন? য'তে ঐক্যবদ্ধ হৈছে তাতেই বিজেপি পৰাভূত হৈছে, য'তেই অকলশৰে খেলিছে তাতেই বিজেপি জয়ী হৈছে বুলি কয় অখিলে। বিহালী সমষ্টিক লৈ বিৰোধী দলসমূহৰ মাজত ব্যাপক খেলি-মেলি অব্যাহত আছে। বিহালী সমষ্টি চিপিআইএমএলক এৰি নিদিয়াত নাৰাজ বিৰোধী ঐক্যৰ দলসমূহে কংগ্ৰেছক এতিয়া এনেদৰেই সমালোচনা কৰি গৈছে। ইয়াৰ পৰিণতি ২৩ নৱেম্বৰত স্পষ্ট হৈ পৰিব।

# আধৰুৱা ফ'ৰলেনে পথচাৰীলৈ মাতিছে বিপদ!
# বেতবাৰী দিচাংঘাটত ট্ৰাকৰ খুন্দাত নিহত চাইকেল আৰোহী

**ই-সংবাদ, শিৱসাগৰ, ২ নৱেম্বৰঃ** শিৱসাগৰ বেতবাৰী দিচাং ঘাটৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া ১২.২২ বজাত এক ভয়ংকৰ পথ দুৰ্ঘটনাত থিতাতে এজন চাইকেল আৰোহী নিহত হয়। তিনিচুকীয়াৰ পৰা গোলাঘাটলৈ বুলি তীব্ৰ বেগেৰে গৈ থকা এ এছ ২৩ ডি চি ২৩৫৭ নম্বৰৰ এখন খালি ট্ৰাকৰ খোন্দাত নিহত হয় চাইকেল আৰোহীজন। চাইকেল আৰোহী জনৰ পৰিচয় বাতৰি লিখা পৰলৈকে জানিব পৰা হোৱা নাই। চাইকেল আৰোহী জনৰ মূৰৰ ওপৰেৰে চকা উঠি যোৱাত মৃতদেহ চিনাক্তকৰণৰ ক্ষেত্ৰটো কিছু জটিলতাই দেখা দিছে। লক্ষ্যণীয় যে দুৰ্ঘটনাৰ লগে লগে ট্ৰাকখন লৈ চালক জনে পলায়ন কৰিববলৈ চেষ্টা কৰিছিল যদিও বেতবাৰী আলিমূৰৰ সমীপত স্থানীয় লোকে আগভেটা দি আৰক্ষীক চমজাই দিয়ে। আটকাধীন চালকজনৰ নাম অখিল কুমাৰ। ট্ৰাক চলাই যাওঁতে ট্ৰাকখনৰ চাইড লাগি পিছৰ চকাত চাইকেল আৰোহীজন সোমাই যায় বুলি সদৰি কৰিছে চালকজনে। এই বিষয়ে পিছতহে অৱগত হয় বুলি সন্দেহজনক মন্তব্য কৰিছে অখিল কুমাৰে। ইপিনে শিৱসাগৰ যানবাহন নিয়ন্ত্ৰণ আৰক্ষীয়ে পিছত চাইকেল আৰোহীজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ব্যক্তিজনৰ মৃতদেহ চিনাক্তকৰণৰ খাতিৰত অহা ৭২ ঘন্টালৈকে মৰ্গত ৰখা হ'ব বুলি জনাইছে আৰক্ষীয়ে। আটক কৰা ট্ৰাক চালক জনৰ ঘৰ বিহাৰত যদিও তিনিচুকীয়াত কৰ্মৰত বুলি আৰক্ষীৰ জেৰাত সদৰি কৰিছে। আনহাতে স্থানীয় ৰাইজে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাৰ বাবেই সঘনাই উক্ত এলেকাত পথ দুৰ্ঘটনা সংঘটিত হোৱা বুলা ক্ষোভ প্ৰকাশ কৰিছে। বিশেষকৈ চাৰিলেনযুক্ত পথৰ নিৰ্মাণকাৰ্য আধৰুৱা হৈ থকাত যানবাহন চলাচল কৰা, পদযাত্ৰী অহা-যোৱা কৰাত গুৰুতৰ সমস্যাৰ উদ্ভৱ হোৱাৰ লগতে অধিক বিপদজনক হৈ পৰা বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে স্থানীয় সচেতন ৰাইজে।

## বিপিএফৰ দুৰ্গত আঘাত ইউপিপিএলৰ, ছালাকাটিৰ ৩৫ হাজাৰ ভোটৰ ওপৰত চকু ট্ৰেক্টৰৰ

# ছিদলীত নিৰ্মল ব্ৰহ্ম ৫০ হাজাৰ ভোটৰ ব্যৱধানত জিকিব বুলি দাবী প্ৰমোদ বড়োৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২ নৱেম্বৰঃ** চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগেই ইউপিপিএলে নিজৰ নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। সমষ্টিটো পুনৰাই যিকোনো প্ৰকাৰে হস্তগত কৰিবলৈ ইউপিপিএল দলে অহোপুৰুষাৰ্থ প্ৰচেষ্টা অব্যাহত ৰাখিছে। বিশেষকৈ বিপিএফৰ দুৰ্গসমূহত ইউপিপিএল আঘাত হানি ক্ৰমাগতভাৱে ভোটাৰৰ কাষ চাপি গৈছে। এনে এক পৰিৱেশৰ মাজতেই আজি বিপিএফৰ দুৰ্গ বুলি পৰিচিত ছালাকাটি অঞ্চলত ইউপিপিএলৰ সভাপতি তথা বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো আৰু বিধায়ক লৰেঞ্চ ইছলাৰীয়ে ইউপিপিএল তথা মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযান চলায়। ছালাকাটিৰ দুই নং চৌটাকীত অনুষ্ঠিত হোৱা উক্ত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি ইউপিপিএলৰ সভাপতি তথা বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে কয় যে চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফল আজিয়ে দিব পাৰি আৰু ইউপিপিএল তথা মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্ম ৫০ হাজাৰ ভোটৰ ব্যৱধানত জিকিব। শান্তি -নিৰাপত্তাৰ পৰিৱেশ যাতে হেৰাই নাযায় তাৰ প্ৰতি সকলোৱে সচেষ্ট হোৱা ভাল বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে বিপিএফৰ অপশাসন, দুৰ্নীতিৰ ক'লা অধ্যায় ৰাইজে পাহৰা নাই বুলি উল্লেখ কৰে। ফুলবাক মুছাহাৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত নিৰ্বাচনী সভাত প্ৰমোদ বড়োৱে পূৰ্বৰ অশান্তিময়, হত্যা-হিংসাৰ পৰিৱেশৰ বিপৰীতে ৰাইজে এতিয়া শান্তি আৰু নিৰাপত্তাৰ পৰিৱেশ লাভ কৰা বুলি মন্তব্য কৰি মাটি-বাৰীৰ সমস্যাও এতিয়া সমাধান হ'ল বুলি মত প্ৰকাশ কৰিছে। শান্তি-নিৰাপত্তা ঘূৰি অহাত আৰু মাটি-বাৰীৰ সমস্যা সমাধান হোৱাত ৰাইজে এতিয়া সন্তুষ্টি লাভ কৰিছে বুলি মন্তব্যৰে প্ৰমোদ বড়োৱে ছালাকাটি অঞ্চলৰ সমস্যা অহা ছমাহৰ ভিতৰত সমাধান হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। তদুপৰি অহা ৬ ডিচেম্বৰত চিদলী বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ প্ৰচাৰ চলাবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা অহাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে চিদলী সমষ্টিৰ ৰাইজক মৰম কৰে বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে চিদলী সমষ্টিত ইতিমধ্যে ফ্লাইঅভাৰ, ষ্টেডিয়াম আৰু অসম মালাৰ অধীনত ৰাস্তা দিছে বুলি উল্লেখ কৰে প্ৰমোদ বড়োৱে। ইপিনে দীঘলীপুখুৰীৰ গছ কটাক লৈ সাংবাদিকে সোধা এক প্ৰশ্নোত্তৰত গছ কাটিলে কোনোবা অঞ্চলত অসুবিধা হ'ব পাৰে আৰু সেয়া পৰিৱেশ চাই সিদ্ধান্ত ল'ব বুলি চমু মন্তব্য কৰে। তদুপৰি আজিৰ বিটিচিত শান্তি, নিৰাপত্তা, অধিকাৰ আৰু উন্নয়নৰ কথা পাতিবলৈ আহ্বান জনাই বৰ্তমানৰ পৰিৱেশ বিঘ্নিত নকৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। উল্লেখ্য যে আজিৰ নিৰ্বাচনী সভাত বিধায়ক লৰেঞ্চ ইছলাৰীয়েও অংশগ্ৰহণ কৰি ইউপিপিএল তথা মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ বিজয় নিশ্চিত বুলি দাবী কৰে। প্ৰণিধানযোগ্য যে ইউপিপিএলে কোকৰাঝাৰ জিলাৰ ছালাকাটি পৰিষদীয় সমষ্টিত থকা ৩৫ হাজাৰৰো অধিক ভোটক এইবাৰ টাৰ্গেট কৰি লৈছে। ছালাকাটি পৰিষদীয় সমষ্টিটো আধস্তণিৰে পৰা বিপিএফৰ দখলত আছে যদিও মাজতে এবাৰ জিএচপিৰ দখললৈ গৈছিল। যদিওবা ছালাকাটি পৰিষদীয় সমষ্টিত ভোটযুদ্ধত ইউপিপিএল দলে আজিলৈ জিকা নাই এইবাৰ কিন্তু ইউপিপিএল দলে কঁকালত টঙালি বান্ধিছে। তাৰেই পৰিণতিত কালিপুখুৰী, ঢোলমাৰা, ছালাকাটি, চৌটাকী, তাৰংগুৰী আদি অঞ্চলত ইউপিপিএল দলে নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। নিৰ্ণায়ক ভোট হিচাপে পৰিচিত ছালাকাটি পৰিষদীয় সমষ্টিৰ ভোট কোনে লাভ কৰে সেয়া এইমুহূৰ্তত ধূসৰ যদিও ইউপিপিএল দল নিৰ্বাচনী প্ৰচাৰ অভিযানত আগবাঢ়ি আছে। আজিৰ নিৰ্বাচনী সভাত স্থানীয় বিজেপি, অগপ আৰু ইউপিপিএলৰ নেতাসকল উপস্থিত থকাৰ লগতে প্ৰায় তিনি শতাধিক ৰাইজ উপস্থিত আছিল।

## ৰুদ্ৰসাগৰত পথ দুৰ্ঘটনা, ৩জন আহত

**ই-সংবাদ, শিৱসাগৰ, ২ নৱেম্বৰঃ** শিৱসাগৰৰ জয়সাগৰ আৰক্ষী চকীৰ অন্তৰ্গত ৰুদ্ৰসাগৰত যোৱা নিশা এক ভয়ংকৰ পথ দুৰ্ঘটনাত তিনিগৰাকী ব্যক্তি গুৰুতৰভাৱে আহত হয়। মাজনিশা এএছ ২৩এম ৩৮২৪ নম্বৰৰ এখন হুণ্ডাই গাড়ীয়ে মহতিয়াই নিয়ে এএছ০৩ এল ০৬৭৬ নম্বৰৰ এখন এক্টিভা। এক্টিভাখনত খুন্দা মাৰি হুণ্ডাইখনে দুডাল গছৰ ফাকত খুন্দা মাৰে। ফলত এক্টিভাখনত উঠি যোৱা জয়সাগৰৰ নিবাসী ৰাহুল দত্ত, সংযুক্তা দত্ত আৰু হুণ্ডাইখনৰ চালক ডিমৌ ৰাইছাইৰ অভিষেক দত্ত গুৰুতৰভাৱে আহত হয়। শৰীৰৰ কেইবা ঠাইতো আঘাতপ্ৰাপ্ত হোৱা ৰাহুল দত্তক শিৱসাগৰ অসামৰিক চিকিৎসালয়ত, সংযুক্তা দত্তক যোৰহাট চিকিৎসা মহাবিদ্যালয়ত আৰু অভিষেক দত্তক ডিব্ৰুগড়ৰ সঞ্জীৱনি নাৰ্চিং হোমত ভৰ্তি কৰোৱা হয়। ৰাহুল দত্তৰ বাহিৰে বাকী দুগৰাকী আইচিইউত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ থকা বুলি জানিব পৰা গৈছে। ঘটনাটো সুৰাপানৰ বাবেই হোৱা বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে।

## মৰিগাঁৱত ফটকাৰ বাৰুদ জ্বলাবলৈ গৈ অগ্নিদগ্ধ তিনি শিশু

**ই-সংবাদ, মৰিগাঁও, ২ নৱেম্বৰঃ** মৰিগাঁও চহৰত দীপাৱলীৰ আনন্দ-উল্লাসৰ মাজতে আজি পুৱাৰ ভাগত চহৰখনৰ মৰি-মুছলমান গাঁৱত ফটকাৰ বাৰুদ জ্বলাবলৈ গৈ তিনিটাকৈ শিশু অগ্নিদগ্ধ হোৱা ঘটনাই শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে, মৰি-মুছলমান গাঁৱৰ তিনিটা শিশুৱে ফটকা আৰু ব'মৰ অৱশিষ্ট বিস্ফোৰক সামগ্ৰীসমূহ একগোট কৰি ফুটোৱাৰ চেষ্টা চলাওঁতেই অগ্নিদগ্ধ হয় শিশু তিনিটি। এই কৰুণ ঘটনাটোত একেখন ঘৰৰে অগ্নিদগ্ধ দুই কনমানি ক্ৰমে আৰমান আৰু আনিছাৰ অৱস্থা সংকটজনক হৈ পৰাত ততাতৈয়াকৈ মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয়। পৰৱৰ্তী সময়ত দুয়োকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা হয়। ঘটনাটোৱে সকলোকে উদ্বিগ্ন কৰি তুলিছে।

## খ্ৰীষ্টানবস্তিৰ বাৰ্বী হোটেলত ওলমিল তলা

**ই-সংবাদ, ২ নৱেম্বৰঃ** পুনৰ গুৱাহাটী মহানগৰীৰ আন এখন বিলাৰী ৰেষ্টোৰাত তলা ওলোমালে গুৱাহাটী পৌৰ নিগমৰ দলে। শুকুৰবাৰে নিশা খ্ৰীষ্টানবস্তিত গুৱাহাটী পৌৰ নিগমৰ অভিযান চলাই এখন ৰেষ্টোৰা বন্ধ কৰি দিয়ে। একেটা অভিযোগ অস্বাস্থ্যকৰ পৰিৱেশত খাদ্য তৈয়াৰ। বাৰ্বী হোটেল এণ্ড ফাষ্টফুড অস্বাস্থ্যকৰ পৰিবেশত খাদ্য প্ৰস্তুত কৰি গ্ৰাহকক খাদ্য পৰিবেশন কৰি অহাৰ অভিযোগ উঠিছিল। অভিযোগৰ ভিত্তিতে খাদ্য সুৰক্ষা বিষয়াসহ পৌৰ নিগমৰ এটা দলে হোটেলখনত আকাস্মিক প্ৰৱেশ কৰে। ভেঁকুৰে ধৰা মাংস, গ্ৰাহকক বাবে সাজু কৰা খাদ্য এন্দুৰে খাই থকা আৰু পইঁতাচোৰাই বিচৰণ কৰা প্ৰত্যক্ষ কৰে অভিযানকাৰী দলে। খাদ্য তৈয়াৰ কৰা ঠাইডোখৰ লেতেৰা অৱস্থাত আছিল। তৈয়াৰী খাদ্যত নাছিল কোনো ঢাকনিৰ ব্যৱস্থা। বাচন-বৰ্তন পৰিস্কাৰ নকৰাকৈ খাদ্য তৈয়াৰ কৰি থকা হৈছিল। জিএমচিয়ে স্বত্বাধিকাৰীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰি হোটেলখন বন্ধ কৰি দিয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জিএমচিত কুলদা ভট্টাচাৰ্যৰ মৰণোত্তৰ

জীৱনৰ অলেখ কথা। এই কথা সৰোগত কৰিয়েই বিশিষ্ট অভিনেতা, পৰিচালক, লেখক কুলদা কুমাৰ ভট্টাচাৰ্যয়ো চিকিৎসা বিজ্ঞানৰ উৎকৰ্ষতাৰ বাবে মৰণোত্তৰ দেহদান কৰি থৈ গৈছিল। তেওঁৰ সেই ইচ্ছাক সন্মান জনাই পৰিয়ালৰ লোকে গুণমুগ্ধৰ উপস্থিতিত শনিবাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত তেঁওৰ মৰণোত্তৰ দেহ ইলোৰা বিজ্ঞান মঞ্চৰ সহযোগত প্ৰদান কৰা হয়। মৰণোত্তৰ দেহদান সম্পন্ন হোৱাৰ অন্তত ইলোৰা বিজ্ঞান মঞ্চৰ সম্পাদক কমলেশ গুপ্তই কয়, “২০১০ চনতেই কুলদা কুমাৰ ভট্টাচাৰ্যই মৰণোত্তৰ দেহদানৰ ইচ্ছাপত্ৰত স্বাক্ষৰ কৰিছিল যদিও কোনো কাৰণত সেয়া পঞ্জীয়ন নোহোৱাত ২০২৩ত পুনৰবাৰ তেওঁ মৰণোত্তৰ দেহদানৰ ইচ্ছাপত্ৰত স্বাক্ষৰ কৰে।” মৃত্যুৰ ১০ দিন পূৰ্বলৈকে প্ৰগতিবাদী কুলদা কুমাৰ ভট্টাচাৰ্যই খুচৰি ভাল পাইছিল গুগল, ব্যৱহাৰ কৰিছিল গুগল মেপ । ১৯৫৮তে লণ্ডনলৈ নাটক শিকিবলৈ যোৱা ভট্টাচাৰ্যই বিজ্ঞান আৰু সংস্কৃতিৰ সমন্বয়েৰে সদায় লৈ ফুৰিছিল এক যুক্তিবাদী মন। কেইবাটাও দশক তেওঁক ওচৰৰ পৰা পোৱা গুৱাহাটী আই আই টিৰ অধ্যাপক অৰূপ কুমাৰ শইকীয়াই সংবাদ মাধ্যমৰ আগত কয়, “ধৰ্ম নিৰপেক্ষ মন আৰু যুক্তিবাদেৰে তেওঁ কথাবোৰ সদায় ভাবিবলৈ চেষ্টা কৰে। সদায় বিশ্বজনীনভাৱে তেওঁ কথাবোৰ ভাবে, তেওঁ কেতিয়াও সংকীৰ্ণভাৱে ভৱা নাছিল । চিকিৎসা বিজ্ঞানত নিজৰ নিশ্চল দেহ অৰ্পণ কৰাৰ যি যাত্ৰা এয়াও বিজ্ঞান আৰু সংস্কৃতিৰ মাজৰ সমন্বয়ক তেওঁ প্ৰতিফলিত কৰি থৈ গৈছে। যোৱা ১০-১৫ দিন আগলৈকে তেওঁ গুগল, গুগল মেপ এইবোৰ চাবলৈ সদায় আগ্ৰহী আছিল।” কুলদা কুমাৰ ভট্টাচাৰ্যক কেইবাটাও দশকজুৰি ওচৰৰ পৰা পোৱা অধ্যাপক শইকীয়াই লগতে কয়, “অবিবাহিত হ'লেও তেওঁ আছিল এজন শৃংখলাবদ্ধ সাংসাৰিক ব্যক্তি, যি নিজৰ পৰিয়ালটোক আৱৰি ৰাখি দিকদৰ্শন কৰিছিল।” প্ৰয়াত ভট্টাচাৰ্যৰ নাতিনী পালমা ভট্টাচাৰ্যই নিজৰ ককাকৰ বিষয়ে কয়,“আমি ককাক লৈ গৌৰৱান্বিত। চিকিৎসা বিজ্ঞানৰ বাবে তেওঁ নিজৰ দেহ দান কৰি গৈ এক আদৰ্শ দেখুৱালে, যি আনকো অনুপ্ৰাণিত কৰিব । তেওঁ মোৰ কেৱল ককা নাছিল, এজন ভাল বন্ধুও আছিল।” উল্লেখ্য যে, বিশিষ্ট লিখক, নাট পৰিচালক, অনাতাঁৰ শিল্পী, অভিনেতা কুলদা কুমাৰ ভট্টাচাৰ্যই শুকুৰবাৰে সন্ধিয়া ৮ বাজি ২০ মিনিটত অচিনা দেশলৈ মেলানি মাগে। জাতীয় স্বাভিমান লৈ ওৰে জীৱন জাতিটোৰ কথাই ভৱা কুলদা কুমাৰ ভট্টাচাৰ্য বৈকুণ্ঠগামী হোৱাৰ সময়ত বয়স আছিল ৯৬ বছৰ। বিশিষ্ট নাট পৰিচালক, অনাতাঁৰ শিল্পী, অভিনেতা কুলদা কুমাৰ ভট্টাচাৰ্যই দিছপুৰ হাস্পতালত চিকিৎসাধীন হৈ আছিল। ১২ দিন পূৰ্বে বেছি অসুস্থ হৈ পৰাত চিৰকুমাৰ অভিনেতাজনক শুভকাংক্ষীয়ে দিছপুৰ হাস্পতালত ভৰ্তি কৰাইছিল। নিম'নিয়া আৰু হৃদৰোগৰ সমস্যাত ভোগাত বিশেষজ্ঞ চিকিৎসকৰ দলে চিকিৎসা কৰি আছিল যদিও পুনৰ সুস্থ কৰিব নোৱাৰিলে। অসমীয়া জাতি ৰক্ষাৰ হকে শেষ সময়লৈকে ‘কা’ বিৰোধী আন্দোলনৰ সপক্ষে থিয় দি থকা জাতীয়তাবাদী, বিশিষ্ট লিখক, নাট পৰিচালক, অনাতাঁৰ শিল্পী, অভিনেতা কুলদা কুমাৰ ভট্টাচাৰ্যই অসমৰ জাতীয় জীৱনলৈ বিশেষ অৰিহণা যোগাইছে। অসমৰ নাট্য আন্দোলনৰ প্ৰহৰী, নাট্যজগতত নতুন ধাৰাৰ সৃষ্টিত অৰিহণা যোগোৱা ভট্টাচাৰ্য অবিহনে অসমৰ নাট্যজগতত উকা হৈ ৰ'ব বুলিয়েই ক'ব পাৰি। অবিস্মৰণীয় অৰিহণা যোগাই অসমৰ নাট-কলা-সংস্কৃতিৰ পথাৰ সমৃদ্ধ কৰিছিল ভট্টাচাৰ্যই। প্ৰখ্যাত নাট্যকাৰ ড০ ভবেন্দ্ৰনাথ শইকীয়া, অৰুণ শৰ্মা, মহেন্দ্ৰ বৰঠাকুৰ আদিৰ সৈতে ৰেডিঅ' নাটক, ভ্ৰাম্যমাণ নাটকৰ বিপ্লৱৰ সূচনা কৰিছিল। গুৱাহাটীত জন্মগ্ৰহণ কৰা ভট্টাচাৰ্য একেধাৰে অনাতাঁৰ শিল্পী, নাট্যকাৰ, অভিনেতা, পৰিচালক, ধাৰাভাষ্যকাৰ, আবৃত্তিকাৰ আছিল। লণ্ডনত মঞ্চকলা, ফিল্ম আৰু টেলিভিছন বিষয়ত পেচাদাৰী প্ৰশিক্ষণ লৈছিল ভট্টাচাৰ্যই। অনাতাঁৰ নাট ‘পৰশুৰাম'ৰ জৰিয়তে জনপ্ৰিয়তা অৰ্জন কৰিছিল। অনাতাঁৰ কেন্দ্ৰযোগে প্ৰচাৰিত বহু চিৰযুগমীয়া ৰেডিঅ' নাটত অভিনয় কৰিছিল। অৰুণ শৰ্মাৰ বহুল জনপ্ৰিয় নাট ‘আহাৰ’ আৰু ‘নিবাৰণ ভট্টাচাৰ্য'ত কৰা অভিনয়েৰে দৰ্শকক মুগ্ধ কৰিছিল অভিনেতাগৰাকীয়ে। ১৯৩৩ চনৰ ১৮ আগষ্টত পাণবজাৰৰ বিখ্যাত অধিবক্তা কালিপ্ৰসাদ ভট্টচাৰ্যৰ ঘৰত জন্মগ্ৰহণ কৰছিল। ১৯৪৬ চনত মেট্ৰিকুলেচন পৰীক্ষা আৰু কটন কলেজৰ পৰা তেওঁ বিএ পাছ কৰে। এমএ পাছ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা। ২৭ বছৰ বয়ত ১৯৬০ চনত জাৰ্মানীলৈ গৈ অনাতাঁৰ, মঞ্চশিল্প আৰু টেলিভিচন বিষয়ত তেওঁ অধ্যয়ন কৰে। লণ্ডনত থকাৰ সময়ত এখন কিতাপৰ দোকানত বিক্ৰেতাৰূপে আৰু বিবিচিৰ বঙালী শাখাত কাম কৰিছিল। ভাৰতলৈ ঘূৰি আহি প্ৰথমে দিল্লীত এটা ইংৰাজ নাট্য গোষ্ঠীৰ সৈতেও কাম কৰিছিল। হবিব তনবীৰ, সুষমা শেঠৰ সৈতেও কাম কৰিছিল তেওঁ। কুলদা কুমাৰ ভট্টাচাৰ্যই অসমলৈ ঘূৰি আহি অল ইণ্ডিয়া ৰেডিঅ'ৰ কাৰ্যবাহী প্ৰযোজকৰ দায়িত্বভাৰ গ্ৰহণ কৰে। আকাশবাণীৰ কাৰ্যবাহী প্ৰযোজক ৰূপে শ্বেক্সপীয়েৰৰ হেমলেটকে ধৰি কেইবাখনো প্ৰখ্যাত নাটকৰ অনাতাঁৰ প্ৰচাৰৰ বাবে উদ্যোগ গ্ৰহণ কৰিছিল। ১৯৬০ চনৰ অসম জাতীয় নাট্যশালা প্ৰতিষ্ঠা কৰি অসমৰ থিয়েটাৰী মঞ্চৰ অভিনেতা ৰূপে কাম কৰি গৈছিল। লণ্ডন আৰু জাৰ্মানীত শিক্ষাগ্ৰহণ কৰি আহি চন্দ্ৰপ্ৰসাদ শইকীয়াৰ ওচৰ চাপিছিল। তাৰ পাছতে অল ইণ্ডিয়া ৰেডিঅ', দূৰদৰ্শনৰ লগতে ৰাজ্যখনত নাট মঞ্চস্থ কৰি নাট্যৰসিকক মঞ্চ অভিনয়ৰ সোৱাদ দিছিল। গণ নাট্য সংঘৰ সৈতে জড়িত থাকিও তেওঁ নাটক মঞ্চস্থ কৰিছিল। কলেজত পঢ়ি থকাৰ সময়ত হেমাংগ বিশ্বাসৰ নেতৃত্বত ভাৰতীয় গণনাট্য সংঘৰ সৈতে জড়িত হৈ পৰিছিল। কুলদা কুমাৰ ভট্টাচাৰ্যই ভূপেন হাজৰিকাই পৰিচালনা কৰা শকুন্তলা, ১৯৬৬ চনত লটিঘটি, ১৯৬৯ চনত চিকমিক বিজুলী, ১৯৯২ চনত মুনিন বৰুৱাই পৰিচালনা কৰা প্ৰভাতী পখীৰ গান, ২০১১ চনত ৰামধেনু, ৰীমা দাসৰ ভিলেজ ৰকষ্টাৰ্ছ আদি ছবিত অভিনয় কৰিছিল। তেওঁ অভিনয় কৰা ছবিয়ে ফিল্মফেয়াৰ বঁটালৈ মনোনয়ন, ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত নাৰ্গিচ দত্ত বঁটা, ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। বহু নাটক, বহু তথ্যচিত্ৰত অভিনয় কৰিছে। দূৰদৰ্শনৰ ১৯৯৪ চনত নিৰ্মিত ধাৰাবাহিক ‘তেজাল ঘোঁৰা’ পৰিচালনা কৰিছিল। এয়া হৈছে আজিৰ তাৰিখলৈকে সৰ্বোত্তম অসমীয়া ধাৰাবাহিক। ভট্টাচাৰ্যই এই চহৰতে, ত্ৰিকাল, দামিনী, হিন্দী ভাষাৰ গেটৱে ছিৰিয়েলত অভিনয় আৰু পৰিচালনা কৰিছিল। ৰাজ্যৰ সামাজিক ৰাতাবৰণ আৰু ৰাজনৈতিক পৰিৱেশ প্ৰত্যক্ষ কৰি ইছাট-বিছাট কৰি উঠিছিল সামাজিক আৰু ৰাজনৈতিকভাৱে সদা সচেতন ভট্টাচাৰ্যই। মহান আৰু বিশাল সৃষ্টিৰে অসমীয়া জাতিক মহীয়ান কৰা মানুহজনে আজিৰ অসমৰ ৰাজনীতিত বৰ্তমানৰ পৰিৱেশ দেখি ক্ষোভত ফাটি পৰিছিল। জাতিক সংকটত আৰু অস্তিত্বত পেলাব খোজা আজিৰ ৰাজনীতিকৰ কৰ্ম-কাণ্ড দেখি তেওঁ একাংশ ৰাজনীতিকক নাম ধৰি দুৰ্বৃত্ত আখ্যা দিছিল। অসমীয়াৰ লগতে সলসলীয়াকৈ ব্ৰিটিছ ইংলিছ, বঙালী আৰু হিন্দী ভাষাত দখল থকা অভিনেতা আছিল ভট্টাচাৰ্য। ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠান জ্যোতি চিত্ৰবনৰ প্ৰতিষ্ঠাপক সঞ্চালক আছিল তেওঁ। ৰাষ্ট্ৰীয় চলচ্চিত্ৰ প্ৰতিযোগিতা আৰু ইণ্ডিয়ান পেনোৰামাৰ বাবে দুবাৰকৈ জুৰীৰ সদস্য নিৰ্বাচিত হৈছে। ২০১৮ চনত প্ৰাগ চিনে এৱাৰ্ডে নৰ্থ ইষ্টৰ জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত কৰে। নিয়মীয়াকৈ তেওঁ কাকত-আলোচনীত চিনেমা, ক্ৰীড়া বিষয়ত লেখা-মেলা কৰিছিল। জাতীয়তাবাদক শক্তিশালী কৰিবলৈ অশেষ অৰিহণা যোগোৱা মহীৰুহক অসমবাসীয়ে সদায়েই মনত ৰাখিব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# চিনেমাৰ কায়দাৰে বাগিচাৰ কলঘৰত নিশা চাঞ্চল্যকৰ ডকাইতি কাণ্ড

**ই-সংবাদ, ডুমডুমা, ২ নৱেম্বৰঃ** চাহ নগৰী ডুমডুমাৰ সমীপৰ এম কে শ্বাহ এক্সপৰ্ট লিমিটেডৰ অধীনস্থ ৰাইডাং চাহ বাগিচাৰ কলঘৰত শুক্ৰবাৰে নিশা সংঘটিত হয় এক চাঞ্চল্যকৰ ডকাইতিৰ ঘটনা। প্ৰাপ্ত তথ্য অনুসৰি, নিশা প্ৰায় ১২:৩০ মান বজাত ৮-১০ জনীয়া এটা অস্ত্ৰধাৰী ডকাইতৰ দলে চাহপাত লুট কৰিবলৈ আহে যদিওঁ ফেক্টৰীৰ সহ: পৰিচালকৰ তৎপৰতাত ডকাইতৰ দলটোৱে পলায়ন কৰিবলৈ বাধ্য হ'য়। ফেক্টৰীটোৰ প্ৰৱেশদ্বাৰত যোৱা নিশা কৰ্মৰত যুৱক তথা চকীদাৰ দুজনে ঘটনাৰ সন্দৰ্ভত জানিবলৈ দিয়া অনুসৰি, ফেক্টৰীৰ পাছফালৰ ফেঞ্চিং পাৰ হৈ মুখত মাস্ক পৰিহিত দুজন ডকাইতে প্ৰৱেশদ্বাৰত কৰ্মৰত চকীদাৰ দুজনৰ ম'বাইল দুটা বিচাৰে। যুৱক দুজনে প্ৰথমে ম'বাইল দুটা দিবলৈ অমান্তি হৈছিল যদিওঁ চোকা অস্ত্ৰ দেখুৱাই মৃত্যুৰ ভাবুকি দিয়াত যুৱক দুজনে ম'বাইল দুটা দিবলৈ বাধ্য হ'য়। তাৰ পাছতে অস্ত্ৰধাৰী ডকাইত দুজনে কলঘৰৰ প্ৰৱেশদ্বাৰৰ তলা খুলি দিবলৈ নিৰ্দেশ দিয়ে। উপায়ন্তৰ হৈ কৰ্মৰত যুৱক দুজনে তলা খুলি দিবলৈ বাধ্য হ'য়। লগে-লগে এখন ট্ৰাক ফেক্টৰীৰ ভিতৰলৈ তৎক্ষণাত প্ৰৱেশ কৰে। ট্ৰাকখনত থকা আৰু ৮ জনীয়া এটা অস্ত্ৰধাৰী দল ফেক্টৰীৰ ভিতৰলৈ সোমাই গৈ ফেক্টৰীটোত সেই সময়ত কাম কৰি থকা প্ৰতিগৰাকী শ্ৰমিক-কৰ্মচাৰীকে মৃত্যুৰ ভাবুকি দি প্ৰস্তুত কৰি থোৱা চাহপাতৰ বেগসমূহ ট্ৰাকত উঠাবলৈ আৰম্ভ কৰে। ঠিক সেই সময়তে পুৱতি নিশা ৩ মান বজাত ফেক্টৰীৰ সহকাৰী পৰিচালকজন মটৰ চাইকেলেৰে ফেক্টৰীলৈ আহে। পৰিচালক গৰাকীয়ে ঘটনাৰ সন্দৰ্ভত জানিবলৈ দিয়া মতে তেওঁ ফেক্টৰীলৈ আহি প্ৰৱেশদ্বাৰত চকীদাৰক নেদেখি বাহিৰৰ পৰাই চিঞৰাত অন্য এজন কৰ্মচাৰীয়েহে তেওঁক গেট খুলি দিয়ে আৰু ফেক্টৰীটো অন্ধকাৰ হৈ থকা দেখি কৰ্মৰত দুই এজন শ্ৰমিকক কিহৰ কাৰণে লাইটবোৰ বন্ধ কৰি থোৱা হৈছে বুলি সোধে যদিওঁ কোনো এজনে সঠিক উত্তৰ দিয়াৰ পৰা বিৰত থাকে। পৰিচালক গৰাকীয়ে ফেক্টৰীটোৰ চাৰিওফালে পাক মাৰি ট্ৰাফৰ ওচৰত ৰোৱা মাত্ৰকেই লাইটবোৰ জ্বলি উঠাত সেই সময়ত তেওঁ চকীদাৰজনক লগ পাই কথাৰ পাতনি মেলা মাত্ৰকে যুৱক এজন আহি তেওঁৰ ভৰিত ধৰি তেওঁলোকে চাহপাত লুট কৰিবলৈ অহা বুলি কৈ এইবাৰলৈ তেওঁলোকক ক্ষমা কৰি দিবলৈ কয় আৰু আৰক্ষীক ঘটনাটোৰ বিষয়ে নজনাবলৈ কাকুতি-মিনতি কৰাৰ লগতে ভৱিষ্যতে এনে কাম নকৰো বুলি কয়।

## গৰু চোৰৰ আতংকৰ মাজতে মৰিগাঁও জিলাত নতুন সন্ত্ৰাস

# ধৰমতুলত দুই কোটি টকাৰ সামগ্ৰীসহ ট্ৰাক অপহৰণ

**ই-সংবাদ, মৰিগাঁও, ২ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ ধৰমতুলতৰ ৰাষ্ট্ৰীয় ঘাইপথত প্ৰায় দুই কোটি টকাৰ সামগ্ৰীসহ এখন ট্ৰাক অপহৰণৰ তথ্য পোহৰলৈ অহাত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত মৰিগাঁও আৰক্ষীয়ে অভিযান চলাই ইতিমধ্যে ডকাইতি হোৱা সামগ্ৰীসমূহ উদ্ধাৰ কৰাৰ লগতে বহুকেইজন লোকক আটক কৰিছে। প্ৰাপ্ত তথ্য মতে, বিগত ২৭ অক্টোবৰৰ পুৱা জিলাখনৰ ধৰমতুল আৰক্ষী থানাৰ অন্তৰ্গত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত আহত অৱস্থাত এজন লোক উদ্ধাৰ হৈছিল। পৰৱৰ্তী সময়ত উক্ত লোকজন সুস্থ হোৱাৰ পিছত লোকজনে নিজকে লজিষ্টিক কোম্পানীৰ এখন ট্ৰাকৰ ড্ৰাইভাৰ বুলি চিনাকি দিয়াৰ লগতে উক্ত নিশা গুৱাহাটীৰ পৰা শিলচৰ অভিমুখে গৈ থকা অৱস্থাত ধৰমতুলত এটা দুৰ্বৃত্তৰ দলে তেওঁক আক্ৰমণ কৰি দুই কোটি টকাৰ সামগ্ৰীসহ ট্ৰাকখন কাঢ়ি লৈ যায় বুলি আৰক্ষীৰ আগত প্ৰকাশ কৰে। এই তথ্য লাভ কৰি মৰিগাঁও আৰক্ষীয়ে তীব্ৰ অভিযান চলাই জিলাখনৰ মিকিৰভেটা অঞ্চলৰ পৰা ট্ৰাকখন উদ্ধাৰ কৰাৰ লগতে মৈৰাবাৰীৰ বৰথল কছাৰীগাঁৱৰ মন্নাছ আলীৰ ঘৰৰ পৰা ট্ৰাকখনত কঢ়িয়াই অনা লেপটপ, চিচি টিভিৰ কেমেৰাকে ধৰি ইলেক্ট্ৰনিক আৰু অন্যান্য সামগ্ৰীসমূহ উদ্ধাৰ কৰে। উক্ত ট্ৰাকখনত থকা সকলোখিনি সামগ্ৰী উদ্ধাৰ হোৱা বুলি আজি বিয়লি আৰক্ষীয়ে প্ৰকাশ কৰিছে। ইয়াৰ লগতে ঘটনাটোৰ মাষ্টৰ মাইণ্ড বুলি সন্দেহ কৰা তফজ্জুল আলীৰ লগত আন বহুকেইজন লোকক আৰক্ষীয়ে সোধা-পোছাৰ বাবে আটক কৰিছে। উল্লেখ্য যে জিলাখনত গৰু চোৰৰ আতংকৰ মাজতে ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰৰ পৰা ট্ৰাক হাইজেক কৰা ঘটনাই সন্ত্ৰাসৰ সৃষ্টি কৰিছে।



ঝাৰখণ্ডৰ পালামুত সংস্কৃতি পৰিচায়ক ধান খটোৱা অসমৰ মুখ্যমন্ত্ৰীৰ শিৰত

# কুলদা কুমাৰ ভট্টাচাৰ্যৰ বিয়োগত দল-সংগঠনৰ শোক

**ই-সংবাদ, ২ নৱেম্বৰঃ** একেধাৰে অভিনেতা, পৰিচালক, লেখক, অনাতাঁৰ শিল্পী কুলদা কুমাৰ ভট্টাচাৰ্যৰ বিয়োগত ভিন-ভিন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰে। এক শোক বাৰ্তাত বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মাই কয়- "আমি হেৰুৱালো এজন হাড়ে-হিমজুৱে সঁচা শিল্পীক। তেওঁ সততাৰে সাংস্কৃতিক পথাৰখন মহীয়ান কৰিছে। চিৰকুমাৰ ভট্টাচাৰ্যই নিজস্ব স্বকীয়তাৰে মানৱসেৱা কৰিছিল।" পুৰোধা শিল্পী কুলদা কুমাৰ ভট্টাচাৰ্যৰ বিয়োগত অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতা, প্ৰাক্তন কোষাধ্যক্ষ কিশোৰ কুমাৰ জৈন, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ, অসম জনজাতি সাংস্কৃতিক মহাসভাৰ সভাপতি দেৱেন্দ্ৰনাথ বসুমতাৰী, মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসমৰ সভাপতি ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী জিলা সমিতিৰ সভাপতি নিশুতি মজুমদাৰ, সাহিত্য সাধনা মঞ্চ, অসমৰ মুখ্য উপদেষ্টা বিনয় কুমাৰ শৰ্মা, আসাম লুতাদৰ সম্পাদক ড০ অৰিন্দম প্ৰিন্স পাংগিং, দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ উপদেষ্টা কমল চন্দ্ৰ মেধি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কামৰূপ জিলা সমিতিৰ মুখ্য আহ্বায়ক মদন দাস, প্ৰবীণ কবি-সাহিত্যিক দুৰ্গা প্ৰসাদ শৰ্মা, জনপ্ৰিয় কণ্ঠশিল্পী-গীতিকাৰ দ্বিজেন কাকতি, পৰাগজ্যোতি প্ৰকাশন, অসম শিশু সাহিত্য সমাজ, স্বেচ্ছাসেৱী অনুষ্ঠান "ৰং" আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। নিহংকাৰী ভট্টাচাৰ্যই নাটক, ধাৰাবাহিক, চলচ্চিত্ৰৰ নামতে জীৱনটো পাত কৰিলে। সকলোৱে একেমুখে তেখেতৰ বিদেহ আত্মাৰ সদগতি কামনা কৰে।

# দৰঙত বাটৰ কুকুৰ ধৰি আৰক্ষীৰ জালত চাৰি চিকাৰী

**ই-সংবাদ, দলগাঁও, ২ নৱেম্বৰঃ** দৰঙত অবৈধভাৱে মালিকবিহীন কুকুৰ ধৰিবলৈ আহি আৰক্ষীৰ জালত পৰিল কাৰ্বি আংলঙৰ চাৰিজনীয়া এটা কুকুৰ চিকাৰীৰ দল। জানিব পৰা মতে, দৰঙৰ পৰা অবৈধভাৱে মালিকবিহীন কুকুৰ ধৰি বিভিন্ন ঠাইত বিক্ৰী কৰে দলটোৱে। দৰঙৰ ধুলা আৰক্ষী থানাৰ অধীনস্থ পানবাৰী আৰক্ষী চকী এলেকাত ধৰিছিল প্ৰায় দুকুৰিৰো অধিক কুকুৰ। অভিযোগৰ ভিত্তিত, পানবাৰী আৰক্ষীয়ে চাৰিজনীয়া কুকুৰ চিকাৰীৰ দলটোক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰাৰ বিপৰীতে থানালৈ নিয়ে কুকুৰকেইটাক। দলটোত আছিল ষ্টাৰ মাৰাক, মিলিক মাৰাক, ইন্না চাংমা আৰু মুল্লু চাংমা। আটাইৰে ঘৰ কাৰ্বি আংলং জিলাৰ বোকাজান থানা এলেকাৰ বুলি জানিব পৰা গৈছে। এই খবৰ পাই কুইন দাসৰ নেতৃত্বত Furry Friends মণ্ডলদৈৰ এটি সঁজাতি দল পানবাৰীত উপস্থিত হৈ কুকুৰকেইটাক খাদ্য যোগান ধৰে আৰু আৰক্ষী প্ৰশাসনক অবৈধভাৱে কুকুৰ ধৰা কাৰ্যত জড়িতসকলক কঠোৰ শাস্তি প্ৰদান কৰাৰ দাবী উত্থাপন কৰে। উল্লেখ্য যে, গাঁও অঞ্চলত প্ৰায়েই এনেদৰে কুকুৰ ধৰি বহিঃৰাজ্যলৈ নিয়াৰ ফলত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে।



চামগুৰিত বুথে বুথে মিটিং বিজেপিৰ প্ৰাৰ্থী দীপ্লু ৰঞ্জন শৰ্মাৰ




দুই সাংসদে চামগুৰিত চলাইছে তানজিলৰ হৈ প্ৰচাৰ, ফটো শনিবাৰৰ

## কংগ্ৰেছ-এআইইউডিএফত ব্যাপক খহনীয়া

# বিন্নাকান্দিত ৫ শতাধিক কংগ্ৰেছীৰ বিজেপিত যোগদান

**ই-সংবাদ, মোৰাঝাৰ, ২ নৱেম্বৰঃ** নৱগঠিত বিন্নাকান্দি সমষ্টিৰ মোৰাঝাৰৰ অকচেক পঞ্চায়তত আজি শতাধিক লোকে কংগ্ৰেছ-এআইইউডিএফ দল ত্যাগ কৰি বিজেপিত যোগদান কৰে। সমষ্টিটোৰ দলীয় দায়িত্ব লাভৰ পিছত ৰাজ্যৰ সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ হবিব মহাম্মদ চৌধুৰীয়ে সংখ্যালঘু অধ্যুষিত সমষ্টিটোত ব্যাপক অভিযান চলোৱা পৰিলক্ষিত হৈছে। চৌধুৰীক প্ৰতিখন সভাত ৰাইজৰ সমস্যাৰ বুজ লৈ সমাধানৰ চেষ্টা কৰাও দেখা যায়। আজিৰ সভাত কেবা শতাধিক লোকে কংগ্ৰেছ ত্যাগ কৰি হবিব চৌধুৰীৰ নেতৃত্বত বিজেপি দলত যোগদান কৰে। সভাত ৰাইজে সুলভ মূল্যৰ দোকানী আব্দুল ওৱাহিদৰ বিৰুদ্ধে বিজেপি নেতা হবিব মহাম্মদ চৌধুৰীক অভিযোগ দিয়ে। ৰাইজৰ অভিযোগ মতে, সুলভ মূল্যৰ দোকানীগৰাকীয়ে চৰকাৰৰ নতুন ৰেচন কাৰ্ড আঁচনিৰ নামত ভয়ংকৰ অনিয়ম সংঘটিত কৰিছে। দৰিদ্ৰ হিতাধিকাৰীক চৰকাৰে বিনামূলীয়া ৰেচন কাৰ্ড যোগানৰ ব্যৱস্থা কৰিছে যদিও আব্দুল ওৱাহিদে ৪ হাজাৰৰ পৰা ৫ হাজাৰ টকাকৈ প্ৰতিখন ৰেচন কাৰ্ডৰ বিনিময়ত সংগ্ৰহ কৰি যোৱাৰ অভিযোগ উঠিছে। এজেণ্ট আব্দুল ওৱাহিদৰ বিৰুদ্ধে লিখিত অভিযোগ দিয়ে জিলা আয়ুক্তক। বিজেপি নেতা হবিব চৌধুৰীৰ জৰিয়তে এই অভিযোগ দাখিল কৰি ৰাইজে এজেণ্টজনৰ দুৰ্নীতিৰ বহু তথ্য ৰাজহুৱা কৰে। এজেণ্টজনৰ বিৰুদ্ধে এনে দুৰ্নীতিৰ অভিযোগ নতুন নহয়। দীৰ্ঘদিনৰ পৰা এজেণ্টজনে খাদ্য সুৰক্ষাৰ চাউল ৫ কেজিৰ পৰিৱৰ্তে ৪ কেজিকৈ দি আহিছে। ৰাইজৰ অভিযোগৰ পিছত সমগ্ৰ ঘটনাটো জিলা আয়ুক্তক অৱগত কৰা হ'ব বুলি চৌধুৰীয়ে ৰাজহুৱা প্ৰতিশ্ৰুতি দিয়ে।

# চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱাগত আদৰণি

**ই-সংবাদ, বেবেজীয়া, ২ নৱেম্বৰঃ** নগাঁও জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চলিত বৰ্ষৰ নৱাগত আদৰণি সভা আৰু স্বৰ্গীয় ভানুৰাম শইকীয়া সোঁৱৰণী ন্যাসৰ বঁটা বিতৰণী সভাখনি শনিবাৰে অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি মনোৰঞ্জন বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাখনিৰ আৰম্ভনিতে প্ৰয়াত ভানুৰাম শইকীয়াৰ প্ৰতিছবিত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ জগন্নাথ গোস্বামীয়ে আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক গম্ভীৰ শইকীয়াই। বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোটৰ সম্পাদক তৃষ্ণা বৰদলৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত আদৰণি ভাষণ আগবঢ়ায় বিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জন তামুলীয়ে। বিদ্যালয়ৰ ছাত্ৰী কৃষ্টি কন্যা শইকীয়াৰ দলে দিহানাম প্ৰদৰ্শনেৰে শুভাৰম্ভ হোৱা সভাখনিত বাৰপুজীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট মুকাভিনয় শিল্পী কুমুদ চন্দ্ৰ বৰদলৈক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সভাত সমাজকৰ্মী দেৱ কুমাৰ বৰা, ক্ষিতেশ্বৰ বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক বিপুল শইকীয়াই, চকলাঘাট শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক কল্যাণ বৰাকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিদ্যালয়ৰ বিষয় শিক্ষক খগেন শইকীয়াই আঁত ধৰা সভাখনিত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীতেৰে মনোৰঞ্জন যোগোৱাৰ বিপৰীতে বিদ্যালয়ৰ শিক্ষক প্ৰাঞ্জু বৰঠাকুৰ, নিৰঞ্জন গোস্বামী, জ্যেষ্ঠ কৰ্মচাৰী ৰঞ্জিত শইকীয়া, শিক্ষয়িত্ৰী ঊষা দেৱীয়ে গীত পৰিৱেশন আৰু বিদ্যালয়ৰ উপাধ্যক্ষ দিপ্তী বৰাই স্বৰচিত কবিতা পাঠেৰে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উক্ত সভাতে স্বৰ্গীয় ভানুৰাম শইকীয়া সোঁৱৰণী ন্যাসৰ বঁটা বিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা হয়।

# বিশ্বনাথৰ সফল ব্যৱসায়ী তথা কংগ্ৰেছী নেতা বিক্ৰম ডুবে বিজেপিলৈ

**ই-সংবাদ, বিশ্বনাথ, ২ নৱেম্বৰঃ** বিহালীৰ কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ ঘনিষ্ঠ তথা জয়ন্ত বৰাৰ হৈ দুদিন আগলৈকে নিৰ্বাচনী প্ৰচাৰ অভিযানত ব্যস্ত থকা বিক্ৰম ডুবে আজি বিহালীৰ বৰগাঙস্থিত বিজেপিৰ কাৰ্যালয়ত বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ ৰঞ্জিত দত্ত আৰু বিধায়ক দিগন্ত কলিতাৰ উপস্থিতিত বিজেপিত যোগদান কৰে। কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ হৈ দুদিন আগলৈকে বিহালীত নিৰ্বাচনী প্ৰচাৰ কাৰ্যত ব্যস্ত থকা বিক্ৰম ডুবেৰ বিজেপিত যোগদান কৰা কাৰ্যই বিহালী কংগ্ৰেছ দল তথা কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ বাবে এক মোক্ষম আঘাত বুলি বিবেচিত হৈছে। শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই কয় যে বিহালীৰ কংগ্ৰেছ প্ৰাৰ্থীৰগৰাকীয়ে মোৰ বিৰুদ্ধে যি অভিযোগ আনিছে সেয়া একেবাৰে ভিত্তিহীন। তেওঁ কয় যে পল্লৱ লোচন দাসক বিহালীত টিকট দিলে তেওঁক নিৰ্দলীয় খেলিবলৈ ৩ কোটি টকা দিয়া বুলি কোৱাৰ যদি কিবা প্ৰমাণ আছে ৰাজহুৱা কৰক, যদি ৰাজহুৱা কৰিব নোৱাৰে মানহানিৰ গোচৰ তৰিম।



গোৱালপাৰাত ব্ৰহ্মপুত্ৰ নদীত মাছমৰীয়াৰ নাৱত বিধায়ক অখিল গগৈ

# নামতিত ৰোগীৰ তেজ পৰীক্ষাৰ ৰিপৰ্টত ওলাল ভয়ংকৰ বিসংগতি

**ই-সংবাদ, আমগুৰি, ২ নৱেম্বৰঃ** শিৱসাগৰ জিলাৰ নামতিৰ এগৰাকী বৃদ্ধা ৰোগীৰ তেজ পৰীক্ষাৰ ৰিপৰ্টত ওলাল ভয়ংকৰ বিসংগতি। যাৰ বাবে এতিয়া সমগ্ৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঘটনাৰ সন্দৰ্ভত জানিব পৰা মতে, ২২ অক্টোবৰত নামতিৰ শালকাঠনি অঞ্চলৰ সৰুমাই বৰা নামৰ মহিলাগৰাকীৰ ছুগাৰ, কিডনী আৰু লিভাৰৰ পৰীক্ষা কৰা হৈছিল শিৱসাগৰ নগৰস্থিত সঞ্জীৱনী ডায়গনষ্টিকছ নামৰ ব্যক্তিগত লেবৰেটৰীটোত। টেষ্টৰ ৰিপৰ্ট প্ৰত্যক্ষ কৰি চিকিৎসকে মহিলাগৰাকীৰ ছুগাৰকে ধৰি কিডনী আৰু লিভাৰৰ জটিলতা থকা বুলি উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ নিবলৈ পৰামৰ্শ আগবঢ়ায়। মাতৃৰ অসুখৰ জটিলতাৰ কথা গম পাই পুত্ৰই উন্নত চিকিৎসাৰ বাবে ৫ দিনৰ পাছত ডিব্ৰুগড়ৰলৈ লৈ যায় আৰু তাত পুনৰ অনুৰূপ টেষ্ট কৰোৱা হয়। কিন্তু ডিব্ৰুগড়ৰ লেবৰেটৰীত কৰা টেষ্টৰ ৰিপৰ্ট আৰু শিৱসাগৰৰ সঞ্জীৱনী ডায়গনষ্টিকছৰ ৰিপৰ্ট মাজত ওলাল বৃহৎ পাৰ্থক্য। ডিব্ৰুগড়ৰ এখন প্ৰতিষ্ঠিত প্ৰতিষ্ঠানত কৰা স্বাস্থ্য পৰীক্ষাৰ ৰিপৰ্ট পৰীক্ষা কৰি চিকিৎসকে মহিলাগৰাকীৰ স্বাস্থ্যত কোনো জটিলতা নাই বুলি উল্লেখ কৰি ঘৰলৈ পঠায় দিয়ে। তাৰ পাছতে আছুৰ কাৰ্যনিৰ্বাহক সদস্য ধ্ৰুৱজ্যোতি কলিতাৰ সৈতে কেইবাগৰাকী নামতি আঞ্চলিক সমিতিৰ বিষয়ববীয়া আৰু সৰুমাই বৰাৰ পুত্ৰই সঞ্জীৱনী ডায়গনষ্টিকছ নামৰ প্ৰতিষ্ঠানখনত উপস্থিত হৈ স্বত্বাধিকাৰীক জবাবদিহি কৰে। মাত্ৰ ৫ দিনৰ অন্তৰত বেয়া হোৱা লিভাৰ কিডনী কোনো ঔষধ সেৱন নকৰাকৈ ঠিক হ'ল। ইফালে, এই ঘটনাৰ উচিত তদন্ত কৰিবলৈ প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ ঊৰ্ধতন কৰ্তৃপক্ষলৈ আহ্বান জনাই আছুৰ বিষয়ববীয়াই ৰোগীৰ জীৱনক লৈ হেতালি খেলা কাৰ্যক কোনো কাৰণতে সহ্য কৰা নহ'ব বুলিও সকীয়নি প্ৰদান কৰে।

# বংশৰ ভৃংগেশ্বৰ দেৱালয়ৰ গণেশ বিগ্ৰহৰ মণ্ডপ ভাঙিলে দুৰ্বৃত্তই

**ই-সংবাদ, শুৱালকুছি, ২ নৱেম্বৰঃ** কামৰূপৰ বংশৰৰ ঐতিহাসিক ভৃংগেশ্বৰ দেৱালয়ত নিশা কোনো দুষ্কৃতিকাৰীয়ে প্ৰৱেশ কৰি গণেশ মূৰ্তিৰ মাৰ্বলৰ মণ্ডপ ভাঙি লণ্ডভণ্ড কৰে। আহোম ৰজা শিৱ সিংহৰ দিনৰে ঐতিহাসিক ভৃংগেশ্বৰ দেৱালয়ৰ শ্ৰীশ্ৰী গণেশ বিগ্ৰহৰ মণ্ডপ ভঙা কাৰ্যই সমগ্ৰ বংশৰ অঞ্চলত চাঞ্চল্যৰ সৃষ্টি হয়। আজি পুৱা স্থানীয় ৰাইজে দেৱালয়ত সেৱা ল'বলৈ আহি গণেশ বিগ্ৰহৰ মণ্ডপ ভাঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰি হতভম্ব হৈ পৰে। পিছত স্থানীয় ৰাইজ তথা দেৱালয় পৰিচলনা সমিতি উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। স্থানীয় লোকে মূৰ্তি ভঙা কাৰ্যৰ লগত স্থানীয় জয়ন্ত দাস নামৰ এগৰাকী যুৱকক সন্দেহ কৰে। পূৰ্বেও জয়ন্ত দাস নামৰ যুৱকজনে দেৱালয়ৰ ভিতৰত প্ৰৱেশ কৰি শিৱৰ মূৰ্তি ভাঙিছিল। আনহাতে, যুৱকজন কিছুদিনৰ পৰা মানসিকভাৱে অস্থিৰ বুলিও জানিবলৈ দিয়ে। ইপিনে, ঐতিহাসিক বংশৰ ভৃংগেশ্বৰ দেৱালয় পৰিচলনা সমিতিয়ে প্ৰশাসনক ঐতিহাসিক দেৱালয়খনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আহ্বান জনায়।

# বিজয়নগৰ মিৰ্জাত চোৰৰ টিঘিল-ঘিলিনি

**ই-সংবাদ, ২ নৱেম্বৰঃ** কামৰূপ জিলাৰ বৃহত্তৰ বিজয়নগৰ, মিৰ্জা, সানপাৰা, সৰপাৰা, বাটৰহাট আদি অঞ্চলত সঘনাই দোকান-পোহাৰ, গোহালীৰ গৰু, মানুহৰ ঘৰ আদিত চোৰে লুটপাত কৰি থকাৰ ঘটনাত বৃহত্তৰ অঞ্চলটোৰ ৰাইজ গভীৰ চিন্তাত পৰিছে। ক্ষুদ্ৰ ক্ষুদ্ৰ দোকান-পোহাৰৰ স্বত্বাধিকাৰসকলৰ টোপনি হৰিছে এই চিন্তাত যে দোকানৰ সা-সামগ্ৰীসমূহ পিছৰ দিনটোৰ বাবে ঠিক-ঠাকে থাকে নে নাই! এইক্ষেত্ৰত আৰক্ষীৰ ভূমিকাকো কঠোৰভাৱে সমালোচনা কৰিছে। উল্লেখ্য যে যোৱা ২৯ অক্টোবৰৰ নিশাৰ ভাগত বিজয়নগৰ আৰক্ষী চকীৰ নাতিদূৰৈৰ দক্ষিণ কামৰূপ জিলা বিজেপি কাৰ্যালয়ৰ সমুখত থকা, ১৭ নংৰাষ্ট্ৰীয় ঘাইপথৰ ক্ষুদ্ৰ ব্যৱসায়ী লাফিকুল হকৰ কণী গুদামৰ পৰা ৪৫ কাৰ্টন কণী দুৰ্বৃত্তই লৈ উধাও হয়। এই কণীৰ বজাৰ মূল্য প্ৰায় ৬৫ হেজাৰ টকা। ইয়াৰ আগৰ দিনাও বাটৰহাটৰ সুভাষ শৰ্মাৰ ৩টাকৈ গৰু(বজাৰ মূল্য ১ লাখৰো অধিক) নিশাৰ ভাগত গোহালীৰ পৰা লৈ যায়। যোৱা কিছুদিনৰ মিৰ্জাস্থিত পলাশবাৰী থানাৰ সমীপৰ সৰপাৰাৰ ত্ৰৈলোক্য ডেকা, ৰমেশ ঠাকুৰীয়া, সানপাৰাৰ ধৰ্ম ডেকাৰ ঘৰত চোৰে মূল্যৱান সা-সম্পত্তি, নগদ ধন লৈ যায়।

## খহনীয়া প্ৰতিৰোধত ব্যৰ্থ ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু জিলা প্ৰশাসন, আছুৰ ক্ষোভ

# ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াত সংকুচিত হৈছে মাজুলীৰ ভূখণ্ড

**ই-সংবাদ, মাজুলী, ২ নৱেম্বৰঃ** মাজুলীৰ ভকতচাপৰি, শালমৰা, চুমৈমাৰি, নামনি মাজুলী আদি অঞ্চলসমূহত বছৰি খহনীয়াত পতিত হৈ আহিছে। এই খহনীয়া প্ৰতিৰোধত ব্যৰ্থ হোৱা মাজুলীৰ সুৰক্ষাৰ দায়িত্বত থকা ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু মাজুলী জিলা প্ৰশাসনৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি গৰজি উঠিল মাজুলী জিলা ছাত্ৰ সন্থা। আজি সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত স্থানীয় ৰাইজৰ সহযোগত গৰাখহনীয়া প্ৰতিৰোধ আৰু স্থায়ী সামাধানৰ দাবীত খহনীয়াগ্ৰস্ত এলেকা মাজুলীৰ শালমৰা ১ নং স্পাৰত বিক্ষোভ কাৰ্যসূচী গ্ৰহণ কৰে। ব্ৰহ্মপুত্ৰৰ কাষত আজি বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি মাজুলীত চলি থকা খহনীয়া ৰোধত ব্যৰ্থ হোৱা, মাজুলী সুৰক্ষাৰ দায়িত্ব থকা ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু জিলা প্ৰশাসনৰ গুৰুত্বহীন মনোভাৱৰ বাবে ক্ষোভ প্ৰকাশ কৰি প্ৰতিবাদ জনাই শীঘ্ৰে সমস্যা সমাধানৰ দাবী জনাই এই প্ৰতিবাদ সাব্যস্ত কৰে। ২০০৪ চনৰ পৰাই খহনীয়া প্ৰতিৰোধত ব্যৰ্থ হৈছে ব্ৰহ্মপুত্ৰ ব'ৰ্ড- এই অভিযোগ জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া আৰু সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখোৱাৰ। বিক্ষোভ কাৰ্যসূচীত উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতুপন শৰ্মাই কয় যে মাজুলীৰ সুৰক্ষাৰ দায়িত্বত থকা কেন্দ্ৰীয় সংস্থা ব্ৰহ্মপুত্ৰ ব'ৰ্ড মাজুলী সুৰক্ষাত সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে। এই সংস্থাটোক মাজুলীৰ সুৰক্ষাৰ দায়িত্বৰ পৰা অপসাৰণ কৰিব লাগে বুলি প্ৰতিবাদস্থলীৰ পৰাই দাবী জনায়। লগতে কয় যে ২০০৪ বৰ্ষৰ পৰাই মাজুলীৰ ভৌগোলিক সুৰক্ষাৰ দায়িত্ব থাকি ব্ৰহ্মপুত্ৰ ব'ৰ্ডে বছৰি শ শ কোটি টকা লুণ্ঠন চলাইছে। কাৰ আশীৰ্বাদত ঠিকাদাৰে হেতালি খেলিছে মাজুলীখনক লৈ এই সকলো প্ৰশ্নৰ উত্তৰ বিচৰা হৈছে জিলা প্ৰশাসন তথা চৰকাৰৰ পৰা বুলি প্ৰতিবাদ স্থলীত উল্লেখ কৰে। উল্লেখ্য যে মাজুলীৰ শালমৰা, বিৰিনাবাৰী, অফলামুখ, দক্ষিণপাট, কমালাবাৰী, চুমৈমাৰি, ভকত চাপৰিকে ধৰি মাজুলীৰ ভিন্ন স্থানত চলি থকা খহনীয়া কবলত বছৰি শ শ বিঘা মাটি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈ মাজুলীৰ পৰিসৰ একেবাৰে কমি অহাৰ লগতে মাজুলী সুৰক্ষাৰ দায়িত্বত থকা ব্ৰহ্মপুত্ৰ ব'ৰ্ড নামৰ এজেন্সীটোৱে বছৰি শ শ কোটি থকা লুণ্ঠন কৰাৰ অভিযোগ তুলিছে জিলা ছাত্ৰ সন্থাই। প্ৰতিবাদস্থলীত কেন্দ্ৰীয় কাৰ্যনিবাহক সদস্য ৰংগৰস মহন্ত, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা পবিত্ৰ গোস্বামী, সুৰ্যকুমাৰ ভূঞা, অজিত হাজৰিকাকে ধৰি জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলৰ লগতে শালমৰাবাসী ৰাইজে সহযোগিতা কৰা এই কাৰ্যসূচীত হাতে হাতে মাজুলীক সুৰক্ষা দিয়ক, অসম চৰকাৰ হায় হায়, ব্ৰহ্মপুত্ৰ ব'ৰ্ড হায় হায়, কেন্দ্ৰীয় চৰকাৰ হায় হায় আদি প্লে' কাৰ্ড লৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। শালমৰা অঞ্চলত চলি থকা গৰাখহনীয়াৰ কাম অহা ২/৩ দিনৰ ভিতৰত আৰম্ভ কৰিবলৈ জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া আৰু সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখোৱাই প্ৰতিবাদস্থলীৰ পৰাই দাবী জনায়। লগতে প্ৰতিবাদস্থলীৰ পৰা অসম চৰকাৰলৈ মাজুলী জিলা প্ৰশাসনৰ যোগেদি গৰাখহনীয়াৰ স্থায়ী সমাধান বিচাৰি মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। মাজুলী জিলা প্ৰশাসনৰ হৈ উজনি মাজুলী ৰাজহ চক্ৰ বিষয়া প্ৰতিবাদস্থলীত উপস্থিত হৈ স্মাৰক পত্ৰ গ্ৰহণ কৰে। প্ৰতিবাদৰ অন্ততত জিলা আয়ুক্তগৰাকী বিভাগীয় কৰ্তৃপক্ষক লগত লৈ খহনীয়া অঞ্চল পৰিদৰ্শন কৰি খুব সোনকালেই কাম আৰম্ভ কৰাৰ কথা উল্লেখ কৰে। উল্লেখ্য যে মাজুলীৰ সুৰক্ষাৰ কামৰ ঠিকা লাভ কৰা টি কে কোম্পানীটোৱে ২৩৮ কোটি টকা ব্যয়েৰে ২০১৮ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ পৰাই খহনীয়া প্ৰতিৰোধৰ বাবে ২৭ কিঃ মিঃ বেংক ৰিবেটমেণ্ট আৰু ২২ খন আৰ চি চি পাৰ্কুপাইনৰ কাম কৰিছিল যদিও বহু ঠাইত কাম আধৰুৱাহৈ থকাৰ অভিযোগ উঠিছে। আনহাতে, টি কে কোম্পানীয়ে কেম্প পতা দৰিয়া পাৰৰ মাজুলী মহাবিদ্যালয়ৰ খেলপথাৰত বহু সামগ্ৰী পেলাই থোৱাৰ লগতে গাড়ীও পৰিতেক্ত অৱস্থাত ৰখাৰ অভিযোগ উঠিছে।

## 'মানৱ অধিকাৰ ৰক্ষাত নাৰী সমাজৰ ভূমিকা' শীৰ্ষক আলোচনা

# মৰিগাঁৱত 'মাছ'ৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, মৰিগাঁও, ২ নৱেম্বৰঃ** যুদ্ধ-বিগ্ৰহ, সন্ত্ৰাসবাদ, মৌলবাদ আৰু গাৰ্হস্থ্য হিংসাজনিত সকলো প্ৰকাৰ মানৱ অধিকাৰ উলংঘনৰ ঘটনাত নাৰী সমাজেই সৰ্বাধিক ক্ষতিগ্ৰস্থ হয়। সেয়া লাগে হিংসাৰ বলি হোৱা পৰিয়াল কিম্বা অপৰাধ সংঘটিত কৰাজনৰ পৰিয়ালৰ সদস্যাই হওক।- এই মন্তব্য মানৱ অধিকাৰ সংগ্ৰাম সমিতি(মাছ)ৰ মুখ্য উপদেষ্টা বুবুমণি গোস্বামীৰ। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰেক্ষাগৃহত আজি মানৱ আধিকাৰ সংগ্ৰাম সমিতিৰ ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত 'মানৱ অধিকাৰ ৰক্ষাত নাৰী সমাজৰ ভূমিকা' শীৰ্ষক আলোচনা চক্ৰত সঞ্চালকৰ ভাষণ প্ৰদান কৰি মাছ'ৰ মুখ্য উপদেষ্টা গোস্বামীয়ে মানৱ অধিকাৰ আন্দোলনত 'মাছ'-এ গ্ৰহণ কৰি অহা স্থিতিৰ ওপৰত কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। ইফালে আলোচনাচক্ৰখনি উদ্বোধন কৰি বিশিষ্ট সাহিত্যিক গৱেষক মিলেশ্বৰ পাতৰে মানৱ অধিকাৰ উলংঘনৰ প্ৰতিবাদ কৰাৰ ক্ষেত্ৰত 'মাছ'ৰ দৰে সংগঠনৰ প্ৰয়োজন বুলি উল্লেখ কৰি মানৱ অধিকাৰ উলংঘনৰ প্ৰশ্নত সংগঠনটোক অধিক স্পষ্ট আৰু নিৰপেক্ষ অৱস্থান গ্ৰহণ কৰিবলৈ আহ্বান জনায়। 'মাছ'ৰ প্ৰচাৰ সচিব জিতুমণি নাথে আঁত ধৰা আলোচনা চক্ৰখনিত অসম লেখিকা সমাৰোহ সমিতিৰ মৰিগাঁও শাখাৰ সভানেত্ৰী ৰীনা ডেকা, লেখিকা সংস্থাৰ মৰিগাঁও শাখাৰ সভানেত্ৰী শেৱালী শৰ্মা বৰকটকী আৰু আইদেউ সন্দিকৈ সাংস্কৃতিক বহুমুখী সন্থাৰ সভানেত্ৰী ৰীনাৰাণী শইকীয়াই আলোচক হিচাপে অংশগ্ৰহণ কৰি মানৱ অধিকাৰ ৰক্ষাত নাৰী সমাজৰ ভূমিকা শীৰ্ষক বিষয়ত মনোজ্ঞ আলোচনা আগবঢ়ায়। ইয়াৰ পূৰ্বে মাছ'ৰ অধ্যক্ষ আদিত্য লহকৰৰ সভাপতিত্বত আৰু সচিব প্ৰধান লক্ষীপ্ৰসাদ ডেকাই আদৰণি ভাষণ প্ৰদান কৰা মুকলি সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ প্ৰদান কৰে মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই। সভাত বিশিষ্ট কবি তথা প্ৰাক্তন বিধায়ক হৰেন্দ্ৰ বৰা, মৰিগাঁৱৰ বিশিষ্ট অধিবক্তা নেকিব উদ্দিন আহমেদ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি মিৰ্জা আৰিফ আলমে মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়ে কৰি অহা দীৰ্ঘদিনীয়া সংগ্ৰামৰ ওপৰত আলোকপাত কৰে। সভাত মাছৰ কেইবাগৰাকী বিষয়ববীয়া আৰু ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

# গৰীয়া-মৰিয়া-চৈয়দ-দেশী-জলহা ঐক্য মঞ্চৰ শিৱসাগৰ জিলা সমিতি গঠন

**ই-সংবাদ, আমগুৰি, ২ নৱেম্বৰঃ** শিৱসাগৰ জিলাৰ নামতি চাৰিআলিৰ সন্মিলিত মুছলিম যুৱ সমাজৰ কাৰ্যালয়ত খিলঞ্জীয়া ৰাইজৰ উপস্থিতিত কালি জলহা ঐক্য মঞ্চ, অসমৰ শিৱসাগৰ জিলা সমিতিখন গঠন কৰা হয়। সেই উদ্দেশ্যে নিবন্ধকাৰ শিক্ষক আছাদ উল্লাহে আঁত ধৰা ৰাজহুৱা সভাখনৰ সঞ্চালনা কৰে লেখক সমালোচক চামচুল বাৰিকে। স্থানীয় জিকিৰ শিল্পী ৰিজুৱান নাচিম আহমেদ, ইকবাল হুছেইন আৰু মুস্তাফিজুৰ ৰহমানে পৰিৱেশন কৰা জিকিৰেৰে শুভাৰম্ভ হোৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যাত কবি আনছাৰউদ্দিন বৰায়ে থলুৱা মুছলমানৰ সোণালী ইতিহাসৰ বৰ্ণনা দি কয় যে উক্ত থলুৱা মুছলমানসকলৰ আত্ম পৰিচয়ৰ লগতে ন্যাৰ্য প্ৰাপ্যৰ বাবে এখন ঐক্য মঞ্চৰ প্ৰয়োজনীয়তা আছে। উপস্থিত কেন্দ্ৰীয় পৰ্যবেক্ষক আবু হুছেইনে ইতিপূৰ্বে গঠিত ঐক্য মঞ্চখনিৰ লক্ষ্য উদ্দেশ্য আৰু কৰ্মপন্থাৰ সন্দৰ্ভত বিশদ বৰ্ণনা দাঙি ধৰাৰ লগতে কয় যে, এই মঞ্চখনি কোনো ৰাজনৈতিক দলৰ ছত্ৰছায়াত নাই। শিক্ষক আছাদ উল্লাহে প্ৰখ্যত কবি এম ইব্ৰাহীম আলীৰ সুস্থ জাতীয়তাবাদী ভাবধাৰাৰ 'তুমি যদি অসমীয়া' শীৰ্ষক কবিতাটো পাঠ কৰে। সমজুৱাৰ একাষাৰত চিৰাজুল ইছলাম, ফিজনুৰ আলী, চেহিদুৰ ৰহমান, চৈযদ জেহিৰুল হুদা, ৰেকিবুদ্দিন আহমেদ, মুচাৰুল হক, চৈয়দ তৌফিক আহমেদ, ফৰিদ আলী, ছাত্ৰ নেতা মিছবাহউদ্দিন আলী, ৰাজীবুৰ ৰহমান, চৈয়দ জোন ৰহমান, আচাদ উল্লাহ আদিয়ে অসমৰ মুছলমান সমাজৰ ঐক্য-সংহতিৰ প্ৰয়োজনীয়তাৰ লগতে সকলো মুছলমান জনগোষ্ঠীৰ ঐক্যবদ্ধতাৰ বিষয়ে উল্লেখ কৰি বক্তব্য আগবঢ়ায়। উক্ত সভাতেই কৃতী শিক্ষক সমাজকৰ্মী হাইদৰ হুছেইনক সভাপতি চামচুল বাৰিকক কাৰ্যকৰী সভাপতি আৰু ফৰিদ আলীক সাধাৰণ সম্পাদক হিচাপে লৈ ৪১ জনীয়া এখনি শক্তিশালী জিলা সমিতি গঠন কৰা হয়। ইফালে সভাখনত তিনিচুকীয়াৰ বিশিষ্ট কণ্ঠশিল্পী চৈয়দ জোন ৰহমানে সম্প্ৰীতিৰ স্বৰচিত গীত পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰে। এই সভাতেই অসম ভূ-খণ্ডৰ মুছলিম সমাজৰ শিৱসাগৰ জিলাস্থিত অনাৱিষ্কৃত ঐতিহাসিক সমলৰ অনুসন্ধান আৰু ইতিমধ্যে বাহাল থকা কৃতী চিহ্নসমূহৰ সঠিক সংৰক্ষণৰ ব্যৱস্থা কৰাৰ লগতে শিৱসাগৰ জিলাৰ নৃ-গোষ্ঠীয় মুছলমান সমাজৰ সন্দৰ্ভত আঞ্চলিক বুৰঞ্জী প্ৰণয়নৰ বাবে পদক্ষেপ গ্ৰহণ সম্পৰ্কত দুটা ৰাজহুৱা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাৰ সঞ্চালকৰ মন্তব্যত চামচুল বাৰিকে ঐতিহাসিক সমলেৰে চহকী আৰু স্বকীয় সবল কৃষ্টিৰ পৰম্পৰাৰে সমৃদ্ধ গৰীয়া মৰিয়া চৈয়দ দেশী জলহা এই পাঁচ নৃগোষ্ঠীয় মুছলমানৰ জনগোষ্ঠীয় স্বীকৃতিৰ প্ৰয়োজনীয়তাৰ লগতে অসমে জনগোষ্ঠীয় ৰাজ্যৰ মৰ্যাদা আৰু অসম চুক্তিৰ আধাৰত ষষ্ঠ অনুসূচী অতি শীঘ্ৰে প্ৰয়োগৰ সম্পৰ্কত মন্তব্য কৰে। নৱ গঠিত সমিতিয়ে এই মঞ্চৰ পৰাই নিম্নতম উমৈহতীয়া কাৰ্যসূচীৰ ভিত্তিত উল্লিখিত পাঁচ মুছলমান জনগোষ্ঠীৰ ঐক্যবদ্ধ সংগ্ৰামৰ পোষকতা কৰে।

# নগাঁৱৰ চলাপথাৰত নগদ ধনসহ আটক ১০ জুৱাৰী

**ই-সংবাদ, বেবেজীয়া, ২ নৱেম্বৰঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তত অসাধু চক্ৰই আৰক্ষীৰ চকুত ধূলি দি নিষিদ্ধ ড্ৰাগছৰ সমান্তৰালভাৱে অব্যাহত ৰাখিছে জুৱাৰ আড্ডা। ইয়াৰ মাজতে বটদ্ৰৱা আৰক্ষীৰ তৎপৰতাত এটা বৃহৎ জুৱাৰ ঘাটি উৎখাত হোৱা ঘটনাই ৰাইজৰ মাজত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ মতে, জিলাখনৰ বটদ্ৰৱা আৰক্ষী থানাৰ এলেকাধীন চলাপথাৰত দীৰ্ঘদিনৰে এটা বৃহৎ জুৱাৰ ঘাটি চলি থকাৰ বিষয়ে এক গোপনে সূত্ৰে জানিব পাৰি বটদ্ৰৱা আৰক্ষীয়ে শুকুৰবাৰে নিশা প্ৰায় এঘাৰ বজাত অভিযান চলায়। অতৰ্কিতে চলোৱা এই অভিযানত আৰক্ষীয়ে জুৱাৰ ঘাটিটো উৎখাত কৰাৰ লগতে দহটা কুখ্যাত জুৱাৰীক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ধৃত জুৱাৰীকেইটা হৈছে ছহিদুল ইছলাম, মাইন উদ্দিন, নাজিমুদ্দিন, পাপু খান, আশ্ৰাদুল ইছলাম, জিয়াউৰ ৰহমান, উপেন নাথ, হেমন্ত নাথ, জনাব আলী আৰু জুলফিকাৰ আলী। তদুপৰি আৰক্ষীয়ে জুৱাৰ ঘাটিটোৰ পৰা নগদ ধন, ম'বাইল ফোন, টৰ্চ লাইট আৰু জুৱা খেলত ব্যৱহৃত বিভিন্ন সামগ্ৰী উদ্ধাৰ কৰে। অৱশ্যে, কেইবাটাও জুৱাৰী আৰক্ষীৰ অভিযানৰ উমান পাই পলাই সাৰে বুলি জানিব পৰা গৈছে।

# বহিঃৰাজ্যত নিৰুদ্দেশ হৈ থকা ব্যক্তিৰ সন্ধান বিচাৰি ডিৰাকত প্ৰতিবাদ

**ই-সংবাদ, ডুমডুমা, ২ নৱেম্বৰঃ** যোৱা ১৭ অক্টোবৰৰ পৰা বহিঃ ৰাজ্যত নিৰুদ্দেশ হৈ থকা তিনিচুকীয়া জিলাৰ কাকপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত গন্ধেগুৰি হাঁহখাটী গাঁও নিবাসী তথা চাৰি কন্যা সন্তানৰ পিতৃ গোলাপ দুৱৰা (৩৮) নিৰুদ্দেশ হৈ থকাৰ সম্পূৰ্ণ দুটা সপ্তাহ অতিক্ৰম কৰিলে যদিও আজিপৰ্যন্ত কোনো সন্ধান নোলাল। ডিব্ৰুগড়ৰ সোণোৱাল উপাধিৰ ঠিকাদাৰ এজনে ফোন কৰি মতাত তিনিচুকীয়াৰ পৰা বাংগালুৰুলৈ চলাচল কৰা এখন ট্ৰেইনত তেওঁৰ অধীনত চাফাই কৰ্মী হিচাপে কাম কৰাৰ উদ্দেশ্যেৰে ঘৰৰ পৰা ওলাই গৈছিল দৰিদ্ৰ পৰিয়ালৰ গোলাপ দুৱৰা। ১৭ অক্টোবৰত বাংগালুৰুলৈ ৰাওনা হৈ ৰে'লখনৰ B2 আৰু B3 নম্বৰৰ ডবাত নিজৰ কৰ্তব্য সামৰি নিশা প্ৰায় ৯.৩০ বজাত ৰামপুৰহাট জংচনত আহাৰ গ্ৰহণ



কৰাৰ পাছৰে পৰা পৰিয়ালৰ লোকৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ আছে গোলাপ দুৱৰাৰ। উপায়ন্তৰ হৈ ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে স্থানীয় কাকপথাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰাৰ উপৰি ৰে'ল বিভাগ তথা ৰে'ল আৰক্ষীকো ঘটনাৰ বিষয়ে অৱগত কৰে যদিও এই ক্ষেত্ৰত আজি দুটা সপ্তাহে লোকজনৰ একোৰেই সন্ধান লাভ কৰিবলৈ সক্ষম নহ'ল দুৰ্ভগীয়া পৰিয়ালটিয়ে। উল্লেখ্য যে, গোলাপ দুৱৰাই Servicemaster clean, Registration no. GUW001136 নামৰ ঠিকাদাৰ কোম্পানীত পূৰ্বেও কাম কৰিছিল। পৰিয়ালৰ লোকে গোলাপ দুৱৰাৰ লগত বাংগালুৰুলৈ যোৱা কৌশিক নামৰ এজন লোকৰ সৈতে যোগাযোগ কৰাত গোলাপ দুৱৰাৰ বেগ আৰু ম'বাইল ফোনটো পোৱা বুলি জানিবলৈ দিয়ে। দৰিদ্ৰ পৰিয়ালটিৰ একমাত্ৰ উপাৰ্জনকাৰী ব্যক্তি গোলাপ দুৱৰাৰ সন্ধানত আৰক্ষী-প্ৰশাসনে উচিত ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগত আজি অসম-অৰুণাচল সীমান্তৱৰ্তী ডিৰাক গেটৰ সমীপৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নৱজ্যোতি গাঁৱত পুৱা ৯ বজাত ঘাইপথ অৱৰোধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে ।

# চহৰীকটাত প্ৰবীণ ফুটবলৰ আয়োজন

**ই-সংবাদ, ডিব্ৰুগড়, ২ নৱেম্বৰঃ** ডিব্ৰুগড় জিলাৰ টিংখাং সমষ্টিৰ অন্তৰ্গত চহৰীকটা তৰুণ সংঘ পুথিভঁৰালৰ উদ্যোগত নৱম বাৰ্ষিক প্ৰাইজমানি আৰু ট্ৰফীসহ প্ৰবীণ ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। চহৰীকটা ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এই খেলখন অহা ৯ নৱেম্বৰত শুভাৰম্ভ কৰা হ'ব। বিজয়ী দলে স্বৰ্গীয় হেমৰাজ আগৰৱালা আৰু ৰুক্মিণী আগৰৱালা সোঁৱৰণী ট্ৰফীসহ নগদ ২০ হেজাৰ টকা আৰু বিজিত দলটোৱে ভুবন চন্দ্ৰ সোণোৱাল সোঁৱৰণী ট্ৰফীসহ নগদ ১৫ হেজাৰ টকা লাভ কৰিব। শ্ৰেষ্ঠ পৰিপাটি দলক ট্ৰফীসহ নগদ ৩,৫০০ টকা প্ৰদান কৰাৰ লগতে শ্ৰেষ্ঠ খেলুৱৈক ট্ৰফীসহ নগদ ১,০৫১ টকা প্ৰদান কৰা হ'ব। অংশগ্ৰহণত ইচ্ছুক দলসমূহক অহা ৫ নৱেম্বৰৰ ভিতৰত ৯১০১৭০৭৭৭৩, ৬০০৩৩৯০৬৩৫ নম্বৰত যোগাযোগ কৰিবৰ বাবে উদ্যোক্তাসকলে আহ্বান জনাইছে।

# বেজেৰাত দিবা-নৈশ ক্ৰিকেট

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২ নৱেম্বৰঃ** অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, বেজেৰা শাখাৰ উদ্যোগত বৃহত্তৰ বেজেৰা অঞ্চলৰ ক্ৰীড়াপ্ৰেমী ৰাইজৰ সহযোগত প্ৰথম বাৰ্ষিক স্বৰ্গীয় ৰমণী মোহন ডেকা আৰু অনুজ চৌধুৰী সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমাণি দিবা-নৈশ টেনিচ বল ক্ৰিকেট প্ৰতিযোগিতা বেজেৰা মিনি ষ্টেডিয়ামত অহা ২২, ২৩ আৰু ২৪ নৱেম্বৰত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ বিজয়ী দলক ৰমণীমোহন ডেকা সোঁৱৰণী ট্ৰফীসহ প্ৰদান কৰা হ'ব নগদ ৪০,০০১ টকা আৰু বিজিত দলক অনুজ চৌধুৰী সোঁৱৰণী ট্ৰফী আৰু নগদ ২৫,০০০ টকা প্ৰদান কৰা হ'ব। মেন অফ দি চিৰিজ বঁটা স্বৰ্গীয় দিগেন ডেকাৰ সোঁৱৰণত ৰেঞ্জাৰ চাইকেল এখন প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল মাত্ৰ ১২০০ টকা। আগ্ৰহী দল সমূহক ৯৩৬৫৭৬০২৩১, ৯১২৩৭১৮৯১৫ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।



ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে দ্বিতীয় একদিনীয়াত জয়ৰ পিছত ইংলেণ্ডৰ দুই খেলুৱৈ




নিউজিলেণ্ডৰ বিৰুদ্ধে তৃতীয় টেষ্টৰ দ্বিতীয় দিনা উইকেট দখলৰ পিছত ৰবীন্দ্ৰ জাডেজাক অভিনন্দন সতীৰ্থৰ, মুম্বাইত

## দ্বিতীয় ইনিংছত কিৱি দলৰ মাত্ৰ ১৪৩ৰানৰ অগ্ৰগতি

# তৃতীয় টেষ্টৰ দ্বিতীয় দিনা সন্তোষজনক স্থিতিত ভাৰত

**মুম্বাই, ২ নৱেম্বৰঃ** নিউজিলেণ্ডৰ বিৰুদ্ধে শৃংখলাত পৰাস্ত হৈ সন্মানৰ যুদ্ধত অৱতীৰ্ণ হোৱা তৃতীয় টেষ্টৰ নিজৰ প্ৰথম ইনিংছত ৮৬ ৰানত ৪ উইকেট হেৰুৱাই বিপদত পৰিছিল ভাৰত। শুভমন গিল আৰু ঋষভ পন্তে আজি দ্বিতীয় দিনা সেই বিপদৰ পৰা দলক উদ্ধাৰ কৰে। প্ৰথম ইনিংছত এই যুটিয়ে ভাৰতক অগ্ৰগতি প্ৰদান কৰে। ফলত ভাৰতে এতিয়া সামান্যকৈ হ'লেও সন্তোষজনক স্থিতিত উপনীত হৈছে। শুভমেনে এই ইনিংছৰ কৃতিত্ব সাত মাহৰ কঠোৰ পৰিশ্ৰমৰ বাবে বুলি কয়। শুভমনে কয় যে চলিত বৰ্ষৰ মাৰ্চ মাহত ইংলেণ্ডৰ বিৰুদ্ধে শৃংখলাৰ সময়ত তেওঁ যি কঠোৰ পৰিশ্ৰম কৰিছিল, তাৰ ফল এতিয়া পাইছে। ভাৰতীয় বেটাৰগৰাকীয়ে কয়, 'এইটো মোৰ টেষ্টৰ অন্যতম শ্ৰেষ্ঠ ইনিংছ। ইংলেণ্ডৰ ছিৰিজত মই বহুত কষ্ট কৰিলো। সেই ছিৰিজত স্পিন উইকেটত খেলিব লগা হৈছিল। তেতিয়াই স্পিনৰ বিৰুদ্ধে মোৰ খেলখন শক্তিশালী হৈ উঠিল।" মুম্বাইত অনুষ্ঠিত হোৱা অন্তিম টেষ্টৰ প্ৰথম ইনিংছত নিউজিলেণ্ডে সংগ্ৰহ কৰিছিল ২৩৫ ৰান সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতে ২৬৩ ৰান সংগ্ৰহ কৰি ২৮ ৰানৰ অগ্ৰগতি লাভ কৰে। দ্বিতীয় ইনিংছত নিউজিলেণ্ড বেটিং বিপৰ্যৰ সন্মুখীন হয়। ফলত দলটোৱে দ্বিতীয় দিনা ৯ উইকেট হেৰুৱাই ১৭১ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে। আলহী দলটো এতিয়া ভাৰততকৈ মাত্ৰ ১৪৩ ৰানত আগবাঢ়ি আছে। দ্বিতীয় ইনিংছত ভাৰতৰ হৈ ৰবীন্দ্ৰ জাডেজাই সৰ্বাধিক ৪টা, আৰু অশ্বিনে ৩টা আৰু আকাশদীপ, ৱাশ্বিংটনে এটাকৈ উইকেট লাভ কৰে। তৃতীয় দিনা যিমান সোনকালে ভাৰতীয় বলাৰে অন্তিমটো উইকেটৰ পতন ঘটাব পাৰে সিমান সোনকালেই ভাৰতে জয়ৰ সোৱাদ লাভ কৰিবলৈ সমৰ্থ হ'ব বুলি অনুৰাগীসকলে আশা প্ৰকাশ কৰিছে। ভাৰতীয় বলাৰৰ ফৰ্মলৈ চাই সেয়া সম্ভৱ হ'ব বুলিয়েই ধৰা হৈছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি